# বিবাহ বিধি

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ ঃ অসম

জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ

## অসম

পঞ্জীয়ন নং- ১৩০৩/৮৭-৮৮

# বিবাহ বিধি

**BIBAH BIDHI,** *Published by the Prakashan Parishad of Mahapurush Sreemanta Sankardeva Namdharma Samaj, Asom, Copyright is reserved by the publisher*

প্ৰকাশক

**মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, অসম**

৩য় প্ৰকাশ

৫৬৪ শঙ্কৰাব্দ ● ইং ০১-০৩-২০১৩

প্ৰধান সম্পাদকৰ কাৰ্যালয়

(অস্থায়ী)

গাঁও - লাঙ্গি ● ডাকঘৰ - কুঁৱৰীটোল ● পিন - ৭৮২১৩৭

কলিয়াবৰ ● নগাঁও ● অসম

*সমাজৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত*

অৰিহণা ঃ ৩০.০০ (ত্ৰিশ) টকা

মুদ্ৰণ

মাল্টি-মেডিয়া প্ৰিন্টাৰ্ছ এণ্ড বুক বাইণ্ডিং, কুঁৱৰীটোল

কলিয়াবৰ, নগাঁও (অসম) ● ফোন - ০৩৬৭২২৭৬৪৭২ (কাঃ) ৯৪৩৫১৬৫১৯৫ (মোঃ)

# পাতনি

জয় জগত গুৰু শ্ৰীমন্ত শঙ্কৰ। 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম' এখন সমন্বয় আৰু সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে গঢ়ি উঠা মহাপুৰুষীয়া ধৰ্মৰ সু-সংহত সমাজ। অসমৰ বহুতো স্বকীয় মতত গঢ়ি উঠা মহাপুৰুষীয়া ধৰ্ম সংগঠনসমূহক একত্ৰিত কৰি এই ধৰ্মৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণত ৰত থকা এখন মাত্ৰ সমাজ গঢ়ি একেখন ধৰ্মীয় পতাকাৰ তলত সমবেত কৰাবলৈ, এখন মাত্ৰ সংবিধানৰ আধাৰত পৰিচালনা আৰু একেখন মঞ্চত একেলগে বহি ঈশ্বৰৰ গুণানুকীৰ্তন কৰিবলৈ 'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামধৰ্ম সমাজ, অসম' বদ্ধপৰিকৰ। অতি আনন্দৰ কথা যে, ইতিমধ্যে বহুকেইটা একেই উদ্দেশ্য ধৰ্মীয় সংগঠন একত্ৰিত হৈ সকলোৰে সিদ্ধান্ত মৰ্মেহে সমাজৰ নামকৰণ কৰা হৈছে। একত্ৰিকৰণৰ প্ৰক্ৰিয়া সদাসৰ্বদা অব্যাহত থাকিব। এতিয়াও বহুকেইটা সৰু-বৰ এই পন্থী সংগঠন একত্ৰিকৃত সমাজৰ অন্তৰ্ভূক্ত নোহোৱাকৈ আছে। এইটো বিশেষ এটা গৌৰৱৰ কথা নহয় বুলি আমি ভাবো। শঙ্কৰদেৱ গুৰু এজনহে। এতেকে তেৰাৰ প্ৰদৰ্শিত আৰু প্ৰচলিত সমাজো এখনহে হ'ব লাগে। অসমৰ বিভিন্ন স্থানত গঢ় লৈ উঠা মহাপুৰুষীয়া ধৰ্মৰ সৰু-বৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন তথা ব্যক্তি বিশেষৰ ওচৰত আমি সনিৰ্বন্ধ অনুৰোধ জনাওঁ, সকলোৰে লগলাগি গুৰুজনাৰ পৱিত্ৰ নামধৰ্মটি প্ৰচাৰৰ বাবে এখন শক্তিশালী সমাজ গঢ়ো আহক। এই সমাজত নাথাকিব জাত্যাভিমান, নাথাকিব বংশ পৰম্পৰাৰ আধিপত্য, নাথাকিব পদ মৰ্যাদাৰ লোভ, নাথাকিব ৰাজনৈতিক কৌশল। আমাৰ সংবিধান আৰু গোহাৰিত এই বিষয়ে বহলাই ব্যাখ্যা কৰা হৈছে। নীতি-নিয়ম, আচাৰ পদ্ধতিসমূহ আমি সকলোৱে একেলগে বহি বিজ্ঞানসন্মত, যুগোপযোগী আৰু আঞ্চলিক পদ্ধতিক বিশ্লেষণ কৰি চাই এক শৰণত বাধা জন্মিব নোৱাৰাকৈ পৰিমাৰ্জিত কৰি ল'ব পাৰিম। ইয়াৰ বাবে সকলো বাপ-বান্ধৱ, আই-মাতৃ বিশেষতঃ দেশৰ ভৱিষ্যত উত্তৰাধিকাৰী শিক্ষিত নতুন পুৰুষ চামলৈ বিনম্ৰ গোহাৰি জনালোঁ। কৃষ্ণ।

তাং ২৯/৫/৯৩

শ্ৰীফণী দাস, সভাপতি
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ
নামধৰ্ম সমাজ, অসম

## বিশেষ মন কৰিবলগীয়া

১। বিবাহৰ ক্ষেত্ৰত গৃহস্থৰ ঘৰত স্থায়ী গুৰু আসন নেথাকিলেও ৰভাত অস্থায়ী ভাৱে ভাগৱত স্থাপন কৰি তাতে বিবাহ কাৰ্য অনুষ্ঠিত কৰিব। ধূপ, দীপ, গুৱা আদি আগবঢ়াব।

২। বিবাহত আইসকলে পানী তোলা, মাহ-হালধিৰে কন্যা-বৰক নোওৱা, পাটমালা দিয়া, আমপাত, ফুলৰ মালা দিয়া, বেইৰ কলপুলি পোতাৰ লগতে শৰণত প্ৰাধান্য নজন্মোৱা ৰীতি পদ্ধতি প্ৰচলনত বাধা নাই।

৩। ফুলৰ ব্যৱহাৰ থাকিব।

৪। সপ্তপদী গমণত পান গছকাতো নিষেধ। ভূমিত পদ আগা-পিছা কৰি কাৰ্য সম্পাদন কৰিব।

৫। বৰক আদৰণি কৰি পদূলিৰ পৰা ৰভা তললৈ, কন্যাক বিবাহ কাৰ্যৰ বাবে ভিতৰৰ পৰা সমাজলৈ কোলাত কৰি আনিলেও ৰভাত প্ৰৱেশৰ লগে লগে কোলাৰ পৰা নমাই দিব। অৱশ্যে উভয়ে প্ৰৱেশৰ ক্ষেত্ৰত ভকত, আইমাতৃ তথা আয়তীসকলৰ লগত পদব্ৰজে অহাতো শোভনীয় আৰু আদৰ্শনীয়।

৬। বিবাহ কাৰ্যত কোনো ধৰণৰ প্ৰসাদ নহ'ব।

৭। বিবাহৰ পূৰ্বে বৰে শৰণ গ্ৰহণ কৰাটো অপৰিহাৰ্য্য।

৮। জোৰণত টেকেলীত কাপোৰ বন্ধা নিষিদ্ধ।

৯। পানী তোলোতে জলত গুৱাপান নিক্ষেপ, কটাৰীৰে পানী কটা কাৰ্য্য নিষিদ্ধ। কৰ্মলৈ যাত্ৰাৰ আৰম্ভণিত ভকত ভগৱন্তলৈ সেৱা জনাব।

১০। দুনৰি ব্যৱহাৰত বাধা নাথকিব। দুনৰিত ধূপ-দীপ-অৰিহণা ৰাখিব।

১১। স্থানভেদে চলি অহা কিছু সামাজিক প্ৰথা যেনে- (ক) বিবাহ মণ্ডপত আমপাত, ফুলৰ মালা আঁৰা (খ) বেই সজা (গ) পানী তোলা আৰু বৰ আদৰণিত খোলৰে বা ঢোলৰে ঘাত মৰা কাৰ্য্যত বাধা নাই।

১২। বৰ কন্যাক আদৰণিত চাউল চটিওৱা, লাডু দলিওৱা নিষিদ্ধ।

১৩। প্ৰাসংগিকতা ৰক্ষা কৰি বিবাহ মণ্ডপত বিয়ানাম, ঢোলবাদ্য আদি বজোৱা কাৰ্য্য কৰিব পাৰিব। বিধি চলা সময়ত নীৰৱতাৰ প্ৰতি লক্ষ্য ৰাখিব।

১৪। বিবাহ কাৰ্য্য সম্পন্ন হোৱাৰ পিছত বৰৰ ঘৰত আঙঠি খেল বা বাতি খেল আদি খেলা বাধা নাথাকিব।

১৫। বিধি পৰিচালনাৰ আচাৰ্য্যজন বিবাহিত, তত্বজ্ঞ, শৰণীয়া, ভজনীয়া, গুণী-জ্ঞানী, সংগী ভকত হ'ব লাগিব।

১৬। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজৰ বৰৰ ক্ষেত্ৰত এই বিবাহ বিধি প্ৰচলন বা প্ৰযোজ্য হ'ব।

১৭। বিবাহাচাৰ্য্যই মাজে মাজে জিৰণি দি বিয়া নাম গোৱা, অন্যান্য সুৰধ্বনি কৰাৰ বাবে সুবিধা দিব।

১৮। বিবাহকাৰ্য্যত সম্পূৰ্ণকৈ বিবাহ বিধি পাঠ কৰি বিবাহ কাৰ্য সম্পন্ন কৰিব।

১৯। উপ সংহাৰত থকা বচন খিনি বিবাহাচাৰ্য্যই পঢ়ি শুনাব। সময় কম হ'লে চমুৱাই সাৰাংশখিনি কৈ যাব।

২০। বিবাহগৃহৰ প্ৰদেশদ্বাৰত সৌমাজত শৰাইত পান, তামোলৰ থোক দি ধূপ আদি দিব।

২১। নিমন্ত্ৰিত বিবাহাচাৰ্য্যই প্ৰয়োজনীয় বিষয়কেইটা বৰ বা কন্যাৰ অভিভাৱকক আগতিয়াকৈ জ্ঞাত কৰাব। সমাজত শ্ৰদ্ধাৰ পাত্ৰ আৰু একান্তমনে শ্ৰৱণৰ বাবে পৰিপক্কতা অৰ্জনৰ চেষ্টা কৰিব।

## বিবাহ সম্পৰ্কে একেষাৰ

বিবাহ হিন্দু সমাজৰ এটা পৱিত্ৰ মাংগলিক অনুষ্ঠান। বিবাহ শব্দৰ অৰ্থ হ'ল (বি+ৱহ) বিশেষ ৰূপে ভাৰ্য্যা গ্ৰহণ কৰা। এজন প্ৰাপ্ত বয়স্ক যুৱকে এগৰাকী প্ৰাপ্ত বয়স্ক যুৱতীক সমাজ স্বীকৃত ধৰ্মীয় ক্ৰিয়া পদ্ধতিৰে নীতিগত ভাৱে সহ ধৰ্মিনীৰূপে গ্ৰহণ কৰা। বিবাহে যুগে যুগে জন্ম জন্মান্তৰৰ পৰা পতি-পত্নীৰ মাজত সম্বন্ধ স্থাপন কৰি আহিছে। ই এক ঐশ্বৰিক ইচ্ছা, তাক চিঙিবৰ কাৰো অধিকাৰ নাই। হিন্দু পৰম্পৰা মতে বিবাহৰ যোগেদি এগৰাকী কন্যাক স্বামীয়েই তেওঁৰ দেৱতা, গুৰু আৰু স্বামী সেৱাৰ জৰিয়তেই তেওঁৰ গুৰুৰ সেৱা সম্পূৰ্ণ হোৱাৰ শিক্ষা দিয়া হয়। জীৱনৰ সকলো ক্ষেত্ৰতে স্ত্ৰীয়ে স্বামীক সহায় সহযোগিতা কৰাৰ শপত গ্ৰহণ কৰাতো বিবাহৰ এক বিশেষ তাৎপৰ্য্য। এনে ধৰণে পৰস্পৰে পৰস্পৰক দাম্পত্য জীৱনৰ মাজেদি আগবঢ়োৱা সহযোগিতাৰ বলতহে মনুষ্য জীৱনৰ ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰস সাধনৰ পথত ব্ৰতী হ'ব পৰা যায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন চৰিত্ৰই ইয়াৰ প্ৰমাণ।

হিন্দু বিবাহক অতি পবিত্ৰ ৰূপে গণ্য কৰা হয়। কিয়নো বিবাহ কাৰ্যৰ নীতি নিয়মবোৰ (যেনে- মাল্যদান, পাণি গ্ৰহণ, সপ্তপদী গমন ইত্যাদি) শাস্ত্ৰীয় নীতি নিৰ্দেশনা মতে কৰা হয়। আন হাতেদি মাতৃৰ গৰ্ভত স্থিতি হোৱাৰ পৰা মৃত্যুলৈকে হিন্দুসকলে বিভিন্ন সংস্কাৰ, (যেনে- চূড়াকৰণ, উপনয়ন, অন্নপ্ৰাশন, দীক্ষা অৰ্থাৎ শৰণ-ভজন গ্ৰহণ, মুণ্ডন, কাঠ সংস্কাৰ ইত্যাদি) পালন কৰি আহিছে। ইবিলাকৰ দৰে বিবাহো এক সংস্কাৰ। বিবাহ সংস্কাৰৰ জৰিয়তে শাস্ত্ৰ সন্মত ৰীতি-নীতি গ্ৰহণ কৰি নাৰী-পুৰুষৰ উভয়ৰে শৰীৰ আৰু আত্মাক পবিত্ৰ কৰা হয়। সেয়েহে অবিবাহিত (আবিয়ৈ) লোকক ধৰ্মীয় আৰু সামাজিক কাৰ্যত ভাগ ল'বলৈ দিয়া নহৈছিল। উল্লেখযোগ্য যে হিন্দু ধৰ্মৰ এই সংস্কাৰমূলক কাৰ্যবিলাক হিন্দু আইনৰ দ্বাৰাও স্বীকৃত।

## হিন্দু বিবাহৰ লক্ষ্য আৰু উদ্দেশ্য

হিন্দু শাস্ত্ৰমতে হিন্দু বিবাহৰ প্ৰধান উদ্দেশ্য তিনিটা। (১) ধৰ্মীয় কাৰ্য পালন (২) সন্তান সন্ততি লাভ (৩) ৰীতি সম্পৰ্কীয় ধাৰণা। হিন্দু জীৱনৰ ধৰ্মীয় কৰ্তব্যক যজ্ঞ বোলা হয়। এই যজ্ঞ পাঁচ প্ৰকাৰৰ- ব্ৰহ্ম যজ্ঞ, দেৱ যজ্ঞ, পিতৃ যজ্ঞ, ভূত যজ্ঞ আৰু অতিথি যজ্ঞ। পিতৃ যজ্ঞ পালনৰ বাবে পুত্ৰৰ প্ৰয়োজন যিটো বিবাহিত জীৱনত পত্নীৰ দ্বাৰাহে সম্ভৱ। ঈশ্বৰ সেৱা প্ৰমূখ্যে ধৰ্মীয় ৰীতি-নীতি বিলাকো বিবাহ কাৰ্যৰ দ্বাৰাই লাভ কৰিব পাৰি। অতিথি যজ্ঞ মানে অতিথি সৎকাৰৰ পালনাৰ্থেও পত্নীৰ অতীব প্ৰয়োজন। আনহাতেদি কেৱল ধৰ্ম কাৰ্যতহে যে পত্নীৰ প্ৰয়োজন এনে নহয়। সন্তান সন্ততি জন্মৰ দ্বাৰা জনসংখ্যাৰ ভাৰসাম্যতা ৰক্ষা কৰি মানৱ সমাজ বৰ্তী থাকিবলৈ, পিতৃ ঋণৰ পৰা মুক্ত হোৱাৰ লগতে বংশৰ ভৱিষ্যত সুনিশ্চিত কৰিবৰ বাবেও পুত্ৰ সন্তানৰ প্ৰয়োজন। যিটো বৈবাহিক সম্বন্ধৰ জৰিয়তেহে পতি পত্নীয়ে লাভ কৰিব পাৰে। অস্বীকৃত যৌন সম্পৰ্কই সমাজত সৃষ্টি কৰিব পৰা বিভিন্ন বিশৃংখলতাও বিবাহৰ জৰিয়তে নিয়ন্ত্ৰণ কৰি সমাজ শৃংখলাবদ্ধ কৰাটো সমগ্ৰ বিশ্বতে ধৰ্মীয় তথা আইনগত ভাবে প্ৰচলিত হৈ আহিছে।

ইয়াৰোপৰি পৰিয়াল তথা দেশৰ আৰ্থিক আৰু সামাজিক উন্নতিত সৰ্বতো প্ৰকাৰে সহায় কৰা, সকলো শিক্ষাৰ জৰিয়তে স্বদেশ, স্বজাতিৰ সংস্কৃতি ৰক্ষাৰ্থে মনোনিবেশ কৰা এই সকলোবিলাকতে পুত্ৰ-পত্নীৰ আৱশ্যকতা অপৰিসীম।



এইবোৰ কাৰণতেই নাৰী-পুৰুষৰ বিবাহ অপৰিহাৰ্য। যিহেতু হিন্দু বিবাহ ধৰ্মীয় আৰু সামাজিক কৰ্তব্যৰ লগত জড়িত গতিকে যৌন সম্ভোগ বিবাহৰ মুখ্য উদ্দেশ্য নহয় ই গৌণহে।

## হিন্দু বিবাহৰ প্ৰকাৰ

হিন্দু সমাজত প্ৰাচীন কালৰে পৰা কেইবা প্ৰকাৰৰ বিবাহ পদ্ধতি প্ৰচলিত হৈ আহিছে। বশিষ্ঠৰ মতে হিন্দু বিবাহ ছয় প্ৰকাৰৰ হ'লেও সচৰাচৰ মানুহে আঠ প্ৰকাৰৰ বিবাহৰ উল্লেখ কৰিছে। সেইবোৰ হ'ল-

১। **ব্ৰাহ্ম বিবাহ ঃ** এই বিবাহত কন্যাৰ পিতৃয়ে এজন গুণী-জ্ঞানী, সু চৰিত্ৰবান বিদ্বান পুৰুষক আহ্বান কৰি আনি কন্যাক অলংকাৰ আৰু নৱ বস্ত্ৰৰে বিভূষিতা কৰি নীতি নিয়মেৰে কন্যা দান কৰা হয়। এই বিবাহ শ্ৰেষ্ঠ বিবাহ, কিয়নো চৰিত্ৰ, শিক্ষা, শাস্ত্ৰজ্ঞান লগতে পৰিয়ালৰ পাৰিপাৰ্শ্বিক পটভূমিক গুৰুত্ব দিয়া হয়।

২। **দৈৱ বিবাহ ঃ** কন্যাৰ পিতৃ-মাতৃয়ে বিস্তৃত যজ্ঞকৰ্মৰ মাধ্যমেৰে বস্ত্ৰ অলংকাৰেৰে সুশোভিতা কৰি কন্যাক পুৰোহিত জনকে দান কৰে। এনে বিবাহ বৰ্তমান অপ্ৰচলিত।

৩। **আৰ্য্য বিবাহ ঃ** বৰ পক্ষৰ পৰা ধৰ্মৰ দোহাই দ্ৰব্য বা আন জীৱজন্ত প্ৰদানেৰে কন্যাদান কৰা বিবাহ কাৰ্যকে আৰ্য বিবাহ বোলা হয়।

৪। **প্ৰজাপত্য বিবাহ ঃ** এই প্ৰকাৰৰ বিবাহত বৰ আৰু কন্যাৰ উভয় পক্ষৰ মতামত আৰু প্ৰাৰ্থী দুজনৰ সন্মতিত আয়োজন কৰা হয়। স্বামী-স্ত্ৰী ৰূপে দুয়ো মিলিজুলি গৃহস্থী ধৰ্ম পালন, ধৰ্মাচৰণ কৰি, সমৃদ্ধিশালী, সুখী জীৱনৰ যাপনৰ বাবে ভকত ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাই কন্যা সম্প্ৰাদন কৰাকেই প্ৰজাপত্য বিবাহ বোলা হয়। উক্ত বিবাহত ধৰ্মৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়।

৫। **আসুৰিক বিবাহ ঃ** এই বিবাহত ইচ্ছুক পুৰুষে কন্যা আৰু কন্যা পক্ষক যথাসাধ্য তথা মূল্য প্ৰদান কৰি যথাবিধি অনুসাৰে বিবাহ কৰাকে আসুৰিক বিবাহ বোলা হয়।

৬। **গন্ধৰ্ব বিবাহ ঃ** কন্যা আৰু বৰৰ গোপনীয় প্ৰেম পৰিণতিয়েই হওক বা ইচ্ছাপূৰ্বক সংযোগ হৈ পিতৃ-মাতৃৰ অনুমতি মৰ্মে হোৱা বিবাহ কাৰ্যকে গন্ধৰ্ব বিবাহ বোলা হয়।

৭। **ৰাক্ষস বিবাহ ঃ** পৰস্পৰৰ মাজত হিংসা বৃত্তি চলাই বলেৰে কন্যাক পত্নী হিচাপে গ্ৰহণ কৰি সম্পন্ন কৰা বিবাহকে ৰাক্ষস বিবাহ বোলা হয়।

৮। **পৈশাচিক বিবাহ ঃ** সুৰা আসক্ত, নিদ্ৰিতা বা একাকিনী থকা অৱস্থাত বলপূৰ্বক বা অচৈতন্য অৱস্থাত উপগমন কৰি কন্যা বিবাহ কৰাকে পৈশাচিক বিবাহ বোলা হয়। এই বিবাহ অধম আৰু পাপীষ্ঠ বিবাহ।

উল্লেখিত আঠ প্ৰকাৰৰ বিবাহৰ ভিতৰত ব্ৰাহ্ম বিবাহ সৰ্বোৎকৃষ্ট। দৈব্য আৰু প্ৰজাপত্য বিবাহ উৎকৃষ্ট। আৰ্য্য আৰু গন্ধৰ্ব বিবাহ মধ্যম, ৰাক্ষস বিবাহ নিকৃষ্ট আৰু পৈশাচিক বিবাহ নিকৃষ্টতম্ বিবাহ ৰূপে পৰিগণিত কৰা হয়। উক্ত আঠবিধ বিবাহৰ উপৰিও বিশেষতঃ আৰু চাৰি প্ৰকাৰৰ বিবাহৰ কথা উল্লেখ কৰিব পাৰি। সেইকেইটা হ'ল -

(ক) বহিৰ্বিবাহ (খ) অন্তৰ্বিবাহ (গ) বহুপত্নী বিবাহ আৰু (ঘ) এক পতি-পত্নী বিবাহ। নিস্প্ৰয়োজন বাবে এই বিবাহৰ বিস্তৃত ব্যাখ্যা দিয়াৰ পৰা বিৰত থকা হ'ল। অৱশ্যে এক পতি-পত্নী বিবাহেই আধুনিক সমাজত সৰ্বজন সমাদৃত প্ৰথা হিচাপে গণ্য হৈছে।

বৰ্তমান কালত হিন্দু বিবাহক পৰম্পৰাগত বিবাহকৰণ সংস্কৃতি (Reformed) আৰু সমন্বয়াত্মক (Sunthesised) বিবাহ বুলি ক'ব পৰা যায়। যিহেতু উক্ত বিবাহ বিধিত "আজি অমুকৰ গুণৱান পুত্ৰ শ্ৰীমান অমুক বিষ্ণু স্বৰূপ বৰক আমাৰ কন্যা শ্ৰীমতী অমুক দেৱীক বিবাহ দিবৰ বাবে আমন্ত্ৰণ কৰি অনা হৈছে।" পতি-পত্নী হিচাপে সংসাৰৰ বান্ধোনেৰে বান্ধি গৃহস্থী ধৰ্ম আৰু সমৃদ্ধিশালী সুখী জীৱন যাপনৰ বাবে আশীৰ্বাদ দি ধৰ্মৰ ওপৰত গুৰুত্ব দিয়া হৈছে। সেয়েহে উক্ত বিবাহ পদ্ধতিও "ব্ৰাহ্ম বিবাহ" আৰু প্ৰজাপত্য বিবাহ পদ্ধতি বুলিব পাৰি। অৱশ্যে ধৰ্মীয় দিশৰ প্ৰতি লক্ষ্য ৰাখি এনে পদ্ধতিৰ বিবাহক 'প্ৰজাপত্য' বিবাহ বোলাতোহে সমীচীন হ'ব।

সাম্প্ৰতিক কালত "আদালতী বিবাহ" বা Register যোগে বিবাহ কৰাও পৰিলক্ষিত হৈছে। সেই দিশৰ ব্যতিৰেকে এই বিধিভাগ যৰ্জুবেদীয় বিবাহ বিধিৰ আধাৰতেই প্ৰণয়ন কৰা হৈছে। দেৱ-দেৱীৰ পূজা, শ্ৰাদ্ধ, হোমযজ্ঞ আদি কাৰ্যই এক শৰণীয়া লোকৰ ধৰ্মভ্ৰষ্ট হয়। পালন বৰ্জনীয়। একশৰণীয়া লোকসকলে এক ঈশ্বৰৰ বাদে কাকো পূজা কৰিব নোৱোৰে, কাৰণ-

কৃষ্ণক পুজিলে পূজা সমস্তৰে হয়।
পৃথকে পূজিলে পূজা কেহো নলৱয়।।



আৰৌ- কলিৰ ভয়ত নাশ গুয়া ধৰ্ম যত।
একস্থান হৈয়া বৈলা হৰিৰ নামত।।
জানি একচিত্তে ফুৰা হৰি নাম গায়।
সকলো ধৰ্মক লাগ পাইবা একঠাই।।

মাধৱ পুৰুষও কৈছে -

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্তন বিনাই
আৰৰ নাহিকে দুজা।।

কলিত হৰিৰ নাম কীৰ্তন কৰাৰ বাহিৰে দ্বিতীয় পন্থা (দুজা) নাই।

এক কৃষ্ণ দেৱ কৰিয়োক সেৱ
ধৰিয়ো তাহান নাম।
কৃষ্ণ দাস হৈয়া প্ৰসাদ ভুঞ্জিয়া
হস্তে কৰা তান কাম।।

এতেকে ভাগৱত থাপনাৰ সন্মুখত ধুপ, দীপ আৰু নৈবেদ্যাদি নিবেদন কৰি অন্ততঃ ভজন তত্বৰ নাম পৰিচিত গুণী, জ্ঞানী, ভকত এজনক পূৰ্বতেই নিৰ্বাচন কৰি বিবাহ বিধি পৰিচালনা কৰি সন্মান আৰু শ্ৰদ্ধা সহকাৰে বিবাহাচাৰ্য্যৰ আসনত বহুৱাব।

বিস্তৃত ব্যাখ্যাৰে আগবঢ়াব খোজো- হিন্দু ধৰ্ম সৌৰ, শাক্ত, শৈৱ, গানপত্য আৰু বৈষ্ণৱ এই পাঁচটা ভাগত বিভক্ত। পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰতৰ বিভিন্ন তীৰ্থ ভ্ৰমণ কৰি বেদ-বেদান্ত, স্মৃতি, পুৰাণ আদিৰ সাৰ কাঢ়ি বৈষ্ণৱ মাৰ্গৰ আদৰ্শৰেই "এক শৰণ নামধৰ্ম" প্ৰৱৰ্ত্তন কৰিলে। এই এক শৰণ নামধৰ্মৰ মুল মন্ত্ৰ হ'ল "কৃষ্ণবিনে নাই অপৰ দেৱ, জানিয়া কৃষ্ণক কৰিয়ো সেৱ।" "এক কৃষ্ণ দেৱ, কৰিয়োক সেৱ, ধৰিও তাহান নাম" ইত্যাদি। অৱশ্যে তেৰাৰ প্ৰিয় শিষ্য মাধৱ পুৰুযে লিখা ঘোষা এফাঁকিও আগতে উল্লেখ কৰা হৈছে। গুৰুজনাৰ প্ৰচাৰিত এক শৰণ নামধৰ্মত যাগ, যজ্ঞ, পূজা, পাতল পিণ্ডাদি কৰ্মৰ

যে স্থান নাই সেই বিষয়ে সৰ্বশ্ৰুতি শিৰোৰত্ন, পৰম বেদান্ত ভাগৱত শাস্ত্ৰ, গীতা শাস্ত্ৰ, কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী আদি শাস্ত্ৰই তাৰ জ্বলন্ত প্ৰমাণ দিছে। প্ৰাক শঙ্কৰী যুগৰ কৰ্মকাণ্ড বিধিসমূহ মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত শঙ্কৰদেৱৰ লগত ধৰ্ম যুদ্ধত পৰাজিত হৈ কৰ্মকাণ্ডীসকলে এৰি যোৱাত মহাৰাজে তেনেধৰণৰ সকলো বিধি সংগ্ৰহ কৰি কাটিকুটি তোৰচা নৈত উতুৱাই দিয়া চৰিত পুথিত উল্লেখ আছে। গুৰুজনাৰ পৰবৰ্তী কালত, আহোম ৰাজত্বৰ কালত তান্ত্ৰিক পণ্ডিতসকলৰ প্ৰভূত্ব আৰু চক্ৰান্তত অসমত পুনৰ তান্ত্ৰিকতাবাদে বিস্তাৰ লভে। পৰবৰ্তী কালৰ ৰজাসকল আৰু সত্ৰীয়া ধৰ্মগুৰুসকলৰ উদাসীনতাৰ সুযোগ লৈ ব্ৰাহ্মণ পণ্ডিতসকলে সেই কালৰ অশৌচ পালন, বিবাহ কাৰ্য, প্ৰায়শ্চিত্ত আৰু শ্ৰাদ্ধাদি কামত নামধৰ্মৰ বিৰোধ ঘটাই বিধিৰ কামত কৰ্ম কাণ্ডীয় অবিধিৰ বেহা মেলিলে, যিটো নেকি বৰ্তমান পৰম্পৰা হিচাপে প্ৰচলিত হৈ আছে। মহাপুৰুষ গুৰু দুজনাক গুৰু বুলি স্বীকৃত, বহুলোকেও কৰ্মকাণ্ডীয় প্ৰথাৰে হোম যজ্ঞ কৰি বিবাহ কাৰ্য সম্পাদন কৰাতো শুদ্ধ বুলি ক'ব খোজে। "ঘৃতাহুতি কেনে, দিবাক নেদয়, বিবাহৰ প্ৰস্তাৱত" বুলি কোৱা গুৰুজনাই বিবাহত হোম নকৰাৰ গোচৰীয়া হৈছিল মহাৰাজ নৰনাৰায়ণৰ ৰাজদৰবাৰত। ইমানৰ পিচতো আকৌ মহাপুৰুষীয়া বুলি কৈ হোম কৰাটো আচৰিতেই নহয় ই "যিটো পাপী কৰে গুৰুক হেলা" উক্ত নাম অপৰাধৰ ভাগী হোৱাতো নিৰ্ঘাত সত্য। কোনোৱে আকৌ হোম প্ৰমুখ্যে কৰ্মকাণ্ড বিলাকক বেদৰ শুদ্ধ কৰ্ম বুলি ক'ব খোজে। বেদৰ কৰ্মৰ সম্পৰ্কে ভাগৱতত উদ্ধৱৰ আগত ভগৱন্তই নিজ মুখে ব্যক্তি কৰিছে এনেদৰে-

বেদ যেন কহে তাক শুনা প্ৰাণসখি।
মায়াময় বেদ ধৰ্ম সবাকে উপেক্ষি।।
যাৰ যেন মতি কৰে বেদক ব্যাখ্যান।
নিজ অৰ্থ ভকতিক ত্যেজি বুজে আন।।
মই বিনে বেদ আন কিছু নবখানে।
চাৰিও বেদৰ তত্ব অৰ্থ এহিমানে।।
এতেকে উদ্ধৱ তুমি তেজা বেদ পন্থ।
যিবা জানা শুনা মানে এৰা ইটো গ্ৰন্থ।।
একে মোত মাত্ৰ তুমি লৈয়োক শৰণ।
নকৰিবা ভয় মই কৰিবো ৰক্ষণ।।



ইয়াত উদ্ধৱক "বেদ" মানে ভগৱন্তৰ নিজ মুখৰ বাণী আৰু ভগৱন্তৰ লীলা চৰিত্ৰ য'ত বৰ্ণিত আছে তাকে স্পষ্টকৈ কৈছে। এই প্ৰভুৰ লীলা চৰিত্ৰ বৰ্ণিত শাস্ত্ৰ (যেনে- কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী, গীতা, ভাগৱত) অৱহেলা কৰিলেহে বেদক নিন্দা বা নাম অপৰাধ কৰাটো বুজায়। অপদেৱতাৰ উপাসনা যুক্ত হোম, পিণ্ডাদি আগমী পথৰ সন্ধান দিয়া শাস্ত্ৰ বিলাককে সৰ্ব সাধাৰণে "বেদ" বুলি ক'লেও প্ৰকৃততে এইবিলাক বেদ নহয়। গতিকে ইয়াক ত্যাগ কৰিবলৈ নিজ মুখে ভগৱন্তই কৈছে -

সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।

প্ৰকাশ কৰিবলগীয়া যে চৰিত পুথিসমূহ গুৰু দুজনা বৈকুণ্ঠী হোৱা পিচত ৰচিত। বহু বিজ্ঞলোকে তাৰ মাজৰে দুই এখন চৰিত পুথিৰ গয়না লৈ গুৰু ধৰ্মৰ বিকৃত বাখ্যাও দঙি ধৰিছে বা ধৰে। অৱশ্যে চৰিত বিলাকৰ মাজত বৈশাদৃশ্যও দেখা পোৱা যায়। সম্ভৱতঃ লিখক সকলে নিজৰ ভাৱ প্ৰৱণতা আৰু নিজক প্ৰতিষ্ঠা কৰাৰ মানসিকতাৰেই লিখা যেন লাগে। নহ'লেনো ৰামচৰণ ঠাকুৰে লিখা চৰিত পুথি থাকোতেও পুত্ৰ দৈত্যাৰী ঠাকুৰে পুনঃ চৰিত লিখাটোৱেই এক প্ৰমাণ। এই চৰিত পুথি বিলাকত গুৰু দুজনাৰ বা প্ৰভু ভগৱন্তৰ কোনো আদেশ বা উপদেশ পোৱা নাযায়। কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী, ভাগৱত, গীতাতহে গুৰু উপদেশ বা ভগৱন্তৰ আদেশ পোৱা যায়। গতিকে চৰিত পুথিৰ নিৰ্দেশত সত্যাসত্য নিৰ্ণয় নকৰাকৈ সকলো কৰ্ম আচৰণ কৰি থকাটো ভ্ৰান্ত মাথোন। একে ধৰণে শঙ্কৰদেৱৰ লিখনিত উল্লেখ থকা কৃষ্ণ-ৰুক্মিণীৰ বিবাহ, ৰাম সীতাৰ বিবাহত হোমৰ উল্লেখ থাকিলেও বৰ্তমান কালত পালনীয় নহয়। ৰাম সীতাৰ বিবাহ ত্ৰেতা যুগৰ। সেই যুগৰ সাধন মাৰ্গ হোম যজ্ঞ। কৃষ্ণ ৰুক্মিনীৰ বিবাহ দ্বাপৰ যুগৰ। সেই যুগৰ সাধন মাৰ্গ পূজা-হোম। কিন্তু বৰ্তমান কলি যুগৰ ভক্তি লাভৰ শ্ৰেষ্ঠ সাধন মাৰ্গ "হৰিনাম"। হৰি নাম কীৰ্তনকে হৰি সেৱাৰ শ্ৰেষ্ঠ নিদৰ্শন ৰূপে গুৰু দুজনাই সকলো লিখনিতে প্ৰকাশ কৰিছে। গতিকে গুৰু দুজনাৰ যুগ ধৰ্মৰ নিৰ্ণয় অনুসৰি ভগৱন্তৰ বাঙ্ময় মূৰ্ত্তী "ভাগৱত" স্থাপন কৰি নাম কীৰ্তনৰ মাধ্যমেৰে ভকত-ভগৱন্তৰ সাক্ষাতত "মাল্যদান", "পানি গ্ৰহণ", "সপ্তপদী গমন" ব্যৱস্থাৰে বিবাহ কাৰ্য সম্পাদন কৰি বৰ কন্যাৰ দাম্পত্য জীৱনৰ কল্যাণ কামনা কৰাটোহে অতি শ্ৰেষ্ঠ আৰু যুগ ধৰ্ম হিচাপেও স্বীকৃত।□□

## বিবাহ বিধি প্ৰকাশৰ সন্দৰ্ভত
### প্ৰধান সম্পাদকৰ একলম

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ নামধৰ্ম সমাজ, অসম নামৰ মহান অনুষ্ঠানটি অসমৰ বৈষ্ণৱ ভক্তি মাৰ্গৰ একান্ত ভকতসকলৰ দ্বাৰা গঠিত এটি পূৰ্ণাংগ ধৰ্মীয় অনুষ্ঠান। যুগ নায়ক গুৰুজনাৰ প্ৰৱৰ্তিত ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰেই এই অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্য। অনুষ্ঠানটিৰ জন্ম লগ্নৰে পৰাই এক শৰণ নামধৰ্ম ৰাইজৰ মাজত প্ৰচাৰ কৰি সহৃদয়তা আৰু শান্তি সম্প্ৰীতিৰে এখন সুস্থ সবল সমাজ গঢ়াৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। বিশেষতঃ নামঘৰীয়া অসমীয়া জাতীয় জীৱনত বেদৰ দোহাই দি একশৰণৰ বিৰুদ্ধ কিছু নীতি সদাচাৰ প্ৰৱৰ্তন হৈ অহাত সমাজত কিছু অমিলৰ যে সৃষ্টি হৈছে সেইটো অৱশ্যে স্বীকাৰ্য্য। ভকতসকলক শুদ্ধ আৰু সত্য ধৰ্মত আত্ম নিয়োগ কৰি গুৰু জনাৰ ধৰ্মৰ নাম-কীৰ্তন, শ্ৰাদ্ধ, প্ৰায়চিত্ত আদি শুদ্ধ ভাৱে কৰিবলৈ সংবিধান, আচাৰ-বিধি, প্ৰসংগ প্ৰণালী আৰু বিবাহ বিধি আদি প্ৰণয়ন কৰি সেইসমূহৰ দ্বাৰা কৰ্মসমূহ সম্পাদন কৰি অহা হৈছে।

ইতিমধ্যে পুস্তকসমূহ কিছু সংশোধনীৰে নতুনকৈ প্ৰকাশ কৰি ভক্ত বৈষ্ণৱসকলৰ মাজলৈ আগবঢ়াই দিয়া হৈছে। প্ৰসঙ্গতে জনাব খোজো যে, বৰ্তমানলৈকে সমাজত সমাজৰ দ্বাৰা প্ৰস্তুত দুখন বিবাহ বিধি কিছু আঁসোৱাহ থকাত ৰাজ্যিক কাৰ্য নিৰ্বাহক সভাই গঠন কৰি দিয়া সংশোধনী সমিতিয়ে চালিজাৰি চাই সেইখিনিৰে কিছু সৰলীকৰণ আৰু সংশোধন কৰি দিয়াত নতুনকৈ প্ৰকাশ কৰি উলিওৱা হ'ল। এইখিনিতেই সংশোধনী সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে মাননীয় সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।

বিধিভাগৰ পাতনিত বিবাহ সন্দৰ্ভত শাস্ত্ৰীয় বিধান আৰু বিবাহৰ প্ৰকাৰ, প্ৰভেদ লগতে পালনীয় সম্পৰ্কত ৰাইজ তথা বিবাহাচাৰ্য্যই বুজিব পৰাকৈ প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে। বিবাহ কাৰ্যৰ প্ৰয়োজনীয় দফাসমূহ সন্নিবিষ্ট কৰা হৈছে। বিধিভাগৰ শেষৰফালে কিছু উপসংহাৰ আগবঢ়োৱা হৈছে। এই উপসংহাৰ ভাগত বিবাহ প্ৰাৰ্থীসকলৰ বাবে প্ৰয়োজনীয় কিছু উপদেশ উল্লেখ কৰা হৈছে। বিবাহাচাৰ্য্যই পাঠ কৰিলে বিবাহ প্ৰাৰ্থীৰ লগতে বিবাহ স্থলীত উপস্থিথত থকা সদাশয়



বৈষ্ণৱসকলৰো কিছু উপকাৰ হ'ব বুলি ভবা হৈছে।

আশাকৰোঁ ভকত বৈষ্ণৱসকলে বিবাহ বিধিত লিপিবদ্ধ ক্ৰমসমূহ নীতিগত ভাবে কৰি সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিব আৰু সমাজখনকো শৃংখলিত ভাবে আগুৱাই নিব। এয়ে আমাৰ ভৰসা। আপোনাসৱৰ পদকমলত আমাৰ অজানিত ভুল-ত্ৰুটিৰ মাৰ্জনাৰে সেৱা জনালোঁ। প্ৰসঙ্গক্ৰমে মাল্টি-মেডিয়া প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অপৰাধ মাৰ্জনাৰে -

অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলোঁ শৰণে,
আনগতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

।। কৃষ্ণ।।

সেৱাৰে -

শ্ৰীটঙ্কেশ্বৰ বৰা, প্ৰধান সম্পাদক
মহাপুৰুষ শ্ৰীমন্ত শঃ নাঃ সঃ, অসম
০১-০৩-২০১৩

সংশোধনী সমিতি ঃ

*শ্ৰীথানেশ্বৰ ভূঞা (সভাপতি, তত্ব পৰিষদ); শ্ৰীদুলাল চন্দ্ৰ নাথ (আহ্বায়ক); শ্ৰীতুলাৰাম বৰা, শ্ৰীৰাতুল ভূঞা, শ্ৰীধৰণী পাঠক, শ্ৰীগজেন শইকীয়া, শ্ৰীআনন্দি শইকীয়া আৰু ৰাজ্যিক সভাপতি শ্ৰীবলোৰাম বৰা; সম্পাদক শ্ৰীটঙ্কেশ্বৰ বৰা।*

## গহনা পৰিধান/খাৰু মণি বা জোৰোণ (তেলৰ ভাৰ) দিয়া

(ক) গহনা পৰিধান/জোৰোণৰ দিনা দৰাৰ ঘৰত জোৰোণ যাত্ৰাৰ আগভাগত ৰভা তলত অস্থায়ী ভাবে ভাগৱত স্থাপন কৰি ধূপ, দ্বীপ, ধূনা আদি গহনা উচ্চৰ্গা কৰণ কাৰ্য সমাপ্ত কৰিব। দৰাই যথাবিহিত ৰীতিৰে স্নানাদি কৰি শুভ্ৰ আৰু নৱ বস্ত্ৰ পৰিধান কৰিব আৰু ভকত বৈষ্ণৱৰ লগতে আইসকলৰ মাজত ভাগৱতৰ সন্মুখত আসন পাৰি বহিব। তেতিয়া (আঞ্চলিক ৰীতি অনুযায়ী) দৰাৰ মূৰত তেল দিব, লগে লগে দৰাই আসন এৰি পিচুৱাই গৈ এটি অপৰাধ ভঞ্জনৰ ঘোষা গাই সমাজত সেৱা জনাব। সমাজে হৰি ধ্বনিৰে আশীৰ্বাদ কৰিব। তাৰ পিছতে দৰাৰ পিতৃ-মাতৃ আৰু অনান্য মান্যৱন্ত লোকক সেৱা জনাব। এই কাৰ্য সমাপ্ত হোৱাৰ পিচত জোৰোণ যাত্ৰীসকলে আৱশ্যকীয় সমল পাতি লৈ মাংগলিক উৰুলি, হৰি ধ্বনি আদি কৰি কন্যাৰ ঘৰলৈ যাত্ৰা আৰম্ভ কৰিব।

(খ) জোৰোণ দিনা কন্যা ঘৰতো একে ধৰণে ৰভাৰ তলত ভাগৱত প্ৰতিষ্ঠা কৰি ধূপ, দ্বীপ, ধূনা আদি জ্বলাই মাংগলিক কাৰ্য কৰিব। জোৰোণ যাত্ৰীসকলক নিয়মানুসাৰে কন্যাঘৰৰ পদূলিমুখৰ পৰা হাত ভৰি ধুৱাই কন্যাঘৰীয়াই আদৰি আনিব। জোৰোণ যাত্ৰীয়ে ৰভাৰ তলত আসন গ্ৰহণ কৰাৰ পিছতে কন্যাৰ অভিভাৱকে যথাৰীতি গুৱাদণ্ডসহ এফাঁকি ঘোষা গাই সমাজত সেৱা জনাব। কন্যাঘৰীয়া ৰাইজ আৰু দৰা ঘৰীয়া ৰাইজে উভয়ে উভয় সমাজক যথা-ৰীতি মান সংকাৰ কৰিব। লগে লগে বৰ আৰু কন্যাৰ অভিভাৱক উভয়ে সমাজক জোৰোণৰ সামগ্ৰীক কাম আৰম্ভ কৰিবলৈ অনুৰোধ জনাব। তাৰ পিছত জোৰোণ যাত্ৰীয়ে কন্যাক পিন্ধাবলৈ অনা অলংকাৰ পাতি, বস্ত্ৰ আদি সজাই পৰাই কন্যা ঘৰীয়া সমাজক দেখুৱাৰ ব্যৱস্থা কৰিব। পানী তোলা টেকেলী জোৰোণ যাত্ৰীয়ে লগত আনিব। ঠোক তামোল আৰু পৰম্পৰাগত অন্যান্য সামগ্ৰী বা বস্তু অনাত বাধা নাই। অলংকাৰ পাতিসহ এই আটাইখিনি সামগ্ৰী সমাজৰ নিৰ্দেশ মতে কন্যা পক্ষৰ এজনে ভিতৰলৈ নিব। ভিতৰত আইসকলে কন্যাক এখন আসনত বহুৱাই প্ৰথমে শিৰত তেল আৰু কপালত সেন্দুৰ দি উৰুলি ধ্বনি কৰিব। তাৰ পিছত যথাৰীতি ভাবে অন্যান্য বস্ত্ৰ, অলংকাৰ আদি পিন্ধাই কন্যাক সমাজলৈ আনি কাকুতি ঘোষা গাই সমাজক সেৱা জনাব। পিছত বৰ পক্ষৰ মানীজনক অন্যান্য জ্যেষ্ঠ লোকসকলকো সেৱা জনাব পাৰে। তাৰ অন্তত কন্যাক ভিতৰলৈ নিব আৰু



জোৰোণ যাত্ৰীসকলকো ভিতৰলৈ নি যথাসাধ্য অতিথি সংকাৰ কৰিব।

ৰভাৰ তলত জোৰোণ যাত্ৰীসকল ভিতৰৰ পৰা আহি পুনৰ আসন গ্ৰহণ কৰাৰ অন্তত সমাজৰ দৰা-কন্যাৰ উভয় পক্ষৰ মাজত বিবাহ পৰিচালনা আদিৰ সম্পৰ্কত আলোচনা কৰি এজন বিবাহ পৰিচালক নিৰ্বাচন কৰিব। লগতে ৰাজহুৱা দেনা-পাওনা, দায়-দায়িত্ব আদি পৰাপক্ষত সেইদিনাই আদায় কৰি থোৱা ভাল। শেষত কন্যাৰ অভিভাৱকে সমাজত যথাৰীতি অপৰাধ ভঞ্জনৰ ঘোষা গাই সেৱা জনাব। সমাজে হৰিধ্বনিৰে আশীৰ্বাদ কৰিব। ইয়াৰ পিছত জোৰোণ যাত্ৰীসকলৰ বিদায় হোৱাৰ লগে লগে জোৰোণৰ সামাজিক কাৰ্য সমাপ্ত হ'ব।

(গ) গহণা পৰিধানৰ পিছত দৰা-কন্যাৰ উভয় ঘৰতে আঞ্চলিক সামাজিক ৰীতি অনুযায়ী পানী তুলিব আৰু দৰা, কন্যাক মাহ-হালধীৰে বেইৰ তলত নোৱন-ধোৱন কৰিব। নোৱন-ধোৱনৰ আগতে দৰা-কন্যাই নিজ পিতৃ-মাতৃ বা অভিভাৱক আৰু আত্মীয় জ্যেষ্ঠজনক সেৱা জনাই সমাজকো সেৱা জনাব।

## অধিবাস

(ক) বিবাহৰ আগদিনা গধূলি দৰাক/কন্যাক নোৱান-ধোৱন কৰাৰ পিছত চিত্ত শুদ্ধিৰ বাবে সাধ্য অনুসৰি ভকত নিমন্ত্ৰণ কৰি আনি সমাজৰ যোগ্য ব্যক্তি এজনৰ দ্বাৰা ভাগৱত পাঠ কৰাব বা কীৰ্তনৰ স্যমন্ত হৰণ পাঠ কৰাব। দৰা/কন্যাই বিবাহত পিন্ধিবলগীয়া সাজ-পোছাক উচৰ্গা কৰিব। পৰিচালকৰ নিৰ্দেশ মতে দৰা/কন্যাক আসনত বহুৱাই ভাগৱতৰ ফালে মুৰ দোৱাই হাতযোৰ কৰি প্ৰাৰ্থনা ঘোষা গোৱাব। তলত ঘোষাৰ আৰ্হি দিয়া হ'ল -

**প্ৰাৰ্থনা**

হে কৃষ্ণ বাসুদেৱ দৈৱকী নন্দন হৰি
নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ নমস্কাৰ।।
পদ্ম সম নাভি যাৰ প্ৰণামোহো বাৰম্বাৰ
নমো দিব্য পদ্ম মালাধাৰী।

নমো পদ্ম সম নেত্র          পদ যাৰ শতপত্র
নমো ভকতৰ ভয়হাৰী।।
বসুদেৱ সুত কৃষ্ণ          তুমি ভকতৰ ইষ্ট
কংস চানুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ          জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন।।
মোৰ সম পাপীলোক          নাহিকে ই তিনিলোক
তুমি সম নাহি পাপহাৰী।
ইজানি গোবিন্ধ মোক          যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহো গোহাৰি।।
সহস্ৰ সহস্ৰ আতি          অপৰাধ দিনে ৰাতি
কৰো মই মঢ়া মূঢ়জন।
আমি প্ৰভু তযু দাস          আকে জানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসুদন।।
ধৰ্মক জানোহো মই          তথাপি প্ৰবৃত্তি নাই
অধৰ্মতো নিবৃত্তি নোহয়।
হৃদিস্থিত হুয়া তুমি          যেন কৰাইবাহা স্বামী
হৃষিকেশ কৰিবো তেনয়।।

(খ) সুবিধা অনুযায়ী ৰাতিলৈ আইসকলে গন্ধ গাঠিয়ান খুন্দাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল।

## বিবাহৰ দিনা (আৰম্ভণি)

বিবাহৰ দিনা দুপৰীয়া বৰ/কন্যাৰ ঘৰত ৰভাৰ তলত স্থাপিত ভাগৱতৰ সন্মুখত ভকত বৈষ্ণৱসকলক সভক্তিৰে আসন-বৈসন দি সেৱা সৎকাৰ কৰিব। ইতিমধ্যে বৰ/কন্যা উভয়ৰ ঘৰতেই আইসকলে যথাৰীতি আনুষ্ঠানিক ভাৱে পানী তুলিব। পানী তোলাত আইসকলে উৰুলি ধ্বনি কৰিব আৰু বিয়ানাম গাব। পানী তোলা ঘাতত বা নাদৰ পাৰত আইসকলে এক শৰণত ব্যাঘ্যাত হ'ব পৰা কোনো



আনুষ্ঠানিক কাৰ্য নকৰি কেৱল "কৃষ্ণ কৃষ্ণ" নাম লৈপানী তুলি আনি সেই পাত্ৰটি নামঘৰ নাইবা অন্য কোনো পবিত্ৰ স্থানত ৰাখিব। তাৰ পিছতে দৰা/কন্যাক বেইৰ তলত মাহ-হালধীৰে নোৱন-ধোৱন কৰিব। তদন্তে দৰা/কন্যাই স্নানাদি কাৰ্য্য সম্পন্ন কৰি শুদ্ধ আৰু শুভ্ৰ বস্ত্ৰ পৰিধান কৰি আহি সমাজত ভাগৱতৰ ফালে সেৱা জনাব। নামাচাৰ্য্যৰ সহায়ত তলৰ পদ কেইফাঁকি দৰা/কন্যাই গাব পাৰিলে ভাল -

নমো নমো অচিন্ত শকতি নাৰায়ণ।
কাৰণৰো কাৰণ তুমিসে অকাৰণ।।
নাহি আদি অন্ত মধ্য পৰিচ্ছিন্ন যাৰ।
পূৰ্ণানন্দ দেৱ হেৰা কৰো নমস্কাৰ।।
নমো নমো অতৰ্ক মহিমা দেৱহৰি।
জগতকে ব্যাপিয়া আপুনি আছা ধৰি।।
তুমি সৰ্ব্ব সাক্ষী ৰাখি আছা প্ৰাণী চয়।
তোমাতেসে হন্তে হয় উৎপত্তি প্ৰলয়।।
হেন ভগৱন্ত কৃষ্ণ দেৱতাৰো দেৱ।
তোমাৰ চৰণে কৰো লক্ষ্যকোটি সেৱ।।

ইয়াৰ পিছত সমাজে হৰিধ্বনিৰে আশীৰ্বাদ কৰিব। লগে লগে সমাজে দুপৰীয়াৰ নাম প্ৰসংগৰ কাম প্ৰণালীবদ্ধ ভাৱে ইয়াৰ সমাপ্ত কৰিব। (উক্ত নাম-প্ৰসঙ্গত পৰা পক্ষত দৰা/কন্যাই সহযোগ কৰিব।)

### নোৱন-ধোৱন

সন্ধ্যাৰ লগে লগে দৰা/কন্যাক নিৰ্দিষ্ট বেইৰ তলত মাহ হালধীৰে নোৱাব। নোৱাৰ-অন্তত দৰা/কন্যাই ভালকৈ স্নান কৰিব। স্নানান্তে দৰাক সমাজত বহুৱাব। কন্যাক ভিতৰলৈ নি কন্যাৰ সাজ-পাৰ পিন্ধাব। দৰাক সমাজতে আগদিনা ভাগৱতৰ সন্মুখত অৰ্চনা কৰি ৰখা সাজ-পাৰ পিন্ধাই ভিতৰলৈ নি সখীসহ লঘু আপ্যায়ন কৰাব। তাৰ পিছত ওলাই আহি সমাজক সেৱা জনাব। সমাজে হৰিধ্বনিৰে যাত্ৰাৰ শুভা-শুভ কামনা কৰি আশীৰ্বাদ কৰিব। লগে লগে দৰা সখীসহ যাত্ৰা কৰিব। সমাজৰ লোকো সঙ্গী হ'ব।

## বৰ আদৰণি

বৰযাত্ৰীসকলে বৰক আগত লৈ কন্যা ঘৰৰ পদূলি মুৰত (তোৰণ পোৱাৰ ঠিক অলপ আগতে কন্যা পক্ষৰ গায়ন-বায়নে মাঙ্গলিক গীত-মাত আৰু বাদ্য ধ্বনিৰে বৰকে ধৰি বৰপক্ষৰ গায়ন-বায়ন আৰু বৰযাত্ৰীৰ লগতে ৰাইজক এখন শৰাই গুৱাপাণ আৰু যৎসামান্য দক্ষিণাসহ সন্মান জনাব। বৰপক্ষইয়ো তদ্ৰূপ ব্যৱস্থা ল'ব)। তাৰ পিছত কন্যা পক্ষৰ এজন পৰিচালকৰ সহায়ত এখন শৰাইত ধূপ, দীপ, ফুল, চন্দন আদি লৈ কন্যাঘৰৰ আত্মীয় স্বজন আৰু পৰিয়ালৰ লোকসকলে বৰক আদৰিব। পৰিচালকজন লগত থাকি কামখিনি কৰাতো নিতান্ত বাঞ্চনীয়।

**দৰাক ঃ** এখন তামুলী পিৰাত উপবিষ্ট কৰাব। তাৰ পিছত পৰিয়ালৰ কোনো এগৰাকীয়ে বৰৰ পদ পক্ষালন কৰিব। তাৰ লগে লগে আদৰিণৰ বাবে নিয়া সামগ্ৰীবে তলৰ কথাফাঁকি কৈ আদৰণি কাৰ্য্য কৰিব।

**আদৰক ঃ** হে বিষ্ণু স্বৰূপ বৰ, আপোনাৰ শুভাগমনত আমি পৰম সন্তোষ লাভ কৰি আপোনাক স্বাগত জনাইছো। (এইবুলি কোৱাৰ লগতে যদি কিবা প্ৰীতি উপহাৰ আগবঢ়াব খোজে তেন্তে এই সময়তে আগবঢ়াব পাৰে।)

পুনঃ আদৰক ঃ

(১) "কেশৱ" বুলি কপালত চন্দন বা মৃত্তিকাৰে ফোট দি ক'ব - ওঁ কেশবায়ে নমঃ।

(২) বৰৰ শিৰত এটা বগাফুল বা ডিঙিত মালা পিন্ধাই ক'ব এতৎ তে গন্ধ পুষ্পে ওঁ বিষ্ণু স্বৰূপায় বৰায় নমঃ।

(৩) কন্যাৰ মাতৃ বা তৎস্থানীয় এগৰাকী আয়ে শেষ আদৰণি জনাব। এখন শৰাই বা কাহীত, বন্তি ধূপ, গুৱাপাণ, সুগন্ধি আঁতৰ আৰু ফুলেৰে সজাই প্ৰথমে বন্তিৰ পোহৰ দি কব -

এষঃ দ্বীপঃ ওঁ বিষ্ণু স্বৰূপায় বৰায় নমঃ।

দ্বিতীয় বাৰ ধূপৰ ঘ্ৰাণ দি ক'ব-

এষঃ ধূপঃ ওঁ বিষ্ণু স্বৰূপায় বৰায় নমঃ।

তৃতীয়বাৰ দুখিলা পাতেৰে দুয়োখন গাল স্পৰ্শ কৰি ক'ব-

ওঁ সৰ্ব মঙ্গলায় বিষ্ণু স্বৰূপায় বৰায়ে নমঃ।



শেষত নতুন গামোচাৰে আবৃত্ত এখন বিচনিৰে দৰাক বা দিব। স্নেহাপ্লুত হৈ জ্যেষ্ঠসকলে চুম্বণ আৰু কনিষ্ঠসকলে আলিঙ্গন কৰিব। এই কাৰ্য্যৰ অন্তত কন্যাৰ পক্ষৰ এজনে দৰাক আগবঢ়াই নি ৰভা স্থলীত প্ৰৱেশ কৰাই দিব। ৰভা স্থলীত প্ৰৱেশ কৰি বৰে সৰ্ব প্ৰথমে ভাগৱত আৰু সমাজক সেৱা জনাই আসন গ্ৰহণ কৰিব।

**ভাগৱত স্থাপন ঃ** দৰা আগমনৰ পূৰ্বেই যদি কোনো বিশেষ কাৰণত কন্যা গৃহৰ ৰভা তলত ভাগৱৰত স্থাপন কৰি থোৱা নাথাকে তেন্তে দৰা পক্ষৰ ফালৰ পৰাই অভিজ্ঞ আৰু যোগ্য ব্যক্তিৰ দ্বাৰা ভাগৱত স্থাপন কৰি লৈহে বিবাহ কাৰ্য্য সম্পন্ন কৰিব।

**সমাজ মাননী ঃ** দৰা সমাজত বহাৰ পিছতেই দুয়ো পক্ষৰ একোখন শৰাইত গুৱাপান আৰু অৰিহণাসহ উভয়ে উভয় সমাজক মান কৰিব। এই সময়তে উভয় সমাজে সহৃদয়তা আৰু সহযোগিতাৰ আলাপ আলোচনা কৰিব। লগতে বৰ পক্ষৰ পৰা কন্যাৰ পিতৃ-মাতৃৰ মাননী হিচাপে তেখেতসকলক সাধ্যানুসাৰে যথোচিত সামগ্ৰীৰে (বস্ত্ৰ, গুৱাপাণ আৰু অৰিহণা) সম্ভাষণ জনাব। (পিতৃ-মাতৃ নাথাকিলে তৎস্থানীয় অন্যলোক) ইয়াৰ পিছত বৰ আৰু কন্যাৰ অভিভাৱকদ্বয়ে (বৰদাতা আৰু কন্যাদাতা) প্ৰাৰ্থনা ঘোষা গাই প্ৰাৰ্থনা জনাব আৰু সমাজক সেৱা জনাব। সমাজে হৰিধ্বনিৰে আশীৰ্বাদ কৰিব। (ঘোষা গোৱাত প্ৰয়োজন হ'লে সমাজে সহায় আগবঢ়াব)।

**সামাজিক নাম-কীৰ্তন ঃ** সামাজিক নাম-কীৰ্তনৰ আৰম্ভণিৰ আগতে কন্যাক সমাজলৈ অনাৰ ব্যৱস্থা কৰিব। (এই কাৰ্যৰ বাবে স্থান ভেদে যি নিয়ম আছে সেই মতে হ'ব, অথবা সমাজৰ নিৰ্দেশ মৰ্মে বৰৰ কোনো ভাতৃ বা ভাতৃস্থানীয় কোনো এজনে শৰাইত গুৱাপাণ লগত অৰিহণাসহ লৈ কন্যাক গোপীনিসকলৰ সাক্ষাতত সমাজলৈ তথা বিবাহ স্থলীলৈ আমন্ত্ৰণ জনাব)। তাৰ পিছতে কন্যা সমাজলৈ আহি প্ৰথমতে ভাগৱত আৰু স্থূল ব্ৰহ্মাক সেৱা জনাই নিৰ্দিষ্ট আসন গ্ৰহণ কৰিব।

তাৰ লগে লগে সমাজে নামাচাৰ্য্য নিৰ্বাচন কৰি তেখেতৰ সহায়ত নাম কীৰ্তন কৰিব।

## কীৰ্তন

(ঘোষা) হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি।
ডাকিয়া ঘোষিও কৰি।।

।।পদ।। দেও কন্যা বিবাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক।।
তেবেসে সন্তুষ্ট হোন্ত হৰি।
নেদেখো উপায় আত কৰি।।
হেন মনে নিয়ম কৰিয়া।
মণি সমে কন্যা দিলে নিয়া।।
পায়া সত্যভামাক অচ্যুতে।
কৰিলা বিবাহ বিধিৱতে।।
ৰূপে গুণে জগতত ধন্যা।
খুজিলে অনেকে সিটো কন্যা।।
কাহাকো নিদিলে সত্রাজিত।
কৃষ্ণে পাই ভৈলা কৃত্য কৃত্য।।
শ্বশুৰক বুলিলা বচন।
নাহিকে মণিত প্ৰয়োজন।।
তোমাতে থাকোক স্যমন্তক।
তুমি সত্রাজিত অপুত্রক।।
তোমাৰ সৰ্বস্ব সবে মোৰ।
নিয়া মণি এড়া চিন্তা ঘোৰ।।
শুনি সত্রাজিত ৰঙ্গ ভৈলা।
স্যমন্তক লৈয়া ঘৰে গৈলা।।
অনন্তৰে জগতৰে নাহ।
কৰি সত্যভামাক বিবাহ।।
ক্ৰিড়িলা আনন্দে নাৰায়ণ।
যিটো শুনে স্যমন্ত হৰণ।।

এড়ায় কলঙ্ক মহাপাপ।
দূৰে যায় সংসাৰৰ তাপ।।
হোৱে সিদ্ধি মনৰ বাঞ্চিত।
জানি শুনা কৃষ্ণৰ চৰিত।।
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
কীৰ্তন নেৰিবা একো নৰে।।
আতপৰে নাহিকে উপায়।
বেদৰ এহিসে অভিপ্ৰায়।।
মায়াময় পুত্ৰ দ্বাৰা গেহ।
কেতিক্ষণে পৰে ইটো দেহ।।
আক নেদেখয় কিনো অন্ধ।
বিষয়ত তথাপি প্ৰবন্ধ।।
আন চিন্তা সবে পৰিহৰা।
মিছা মোৰ মোৰ বুলি মৰা।।
অন্তকে কেশত আছে ধৰি।
জানি ডাকি বোলা হৰি হৰি।।

নাম প্ৰসঙ্গৰ অন্তত বৰ-কন্যা উভয়ে আঠু লৈ ভাগৱতৰ ফালে সেৱা জনাব।

**বিবাহ পৰিচালক চিনাক্তকৰণ ঃ** জোৰোণৰ দিনাই সমাজে ঠিক কৰি থোৱা বিবাহ পৰিচালকক উদ্দেশ্য কৰি বৰে ঠিয় হৈ ক'ব -

**বৰ-** হে সজ্জনসৰ, আজি এই পবিত্ৰ অমুক মাহৰ অমুক পক্ষৰ অমুক তিথি মোৰ শুভ বিবাহৰ কাৰ্য্যফেৰা যথাবিহিত বিধিৰে পৰিচালনা কৰিবলৈ পৰম শ্ৰদ্ধাভাজন শ্ৰীঅমূক দেৱক অনুৰোধ কৰা হ'ল।

**বিবাহ পৰিচালক ঃ** হে সুধীসৰ, আমি ভাগতক সাক্ষী কৰি আপোনাসৰৰ সাক্ষাতত যথাবিহিত ৰীতি মতে এই বিবাহ কাৰ্য্য সমাপন কৰিবলৈ আগবাঢ়িছো। আপোনাসৰে আশীৰ্বাদ কৰক। (এই বুলি সেৱা জনাই বিবাহ বিধি পৰিচালকৰ নিৰ্দিষ্ট আসন গ্ৰহণ কৰিব।

## বিবাহ কাৰ্য্য

পৰিচালকৰ নিৰ্দেশমতে কন্যাদাতাজন আহি নিজ আসন গ্ৰহণ কৰিব। ইয়াৰ পিছত বৰদাতা আৰু কন্যাদাতা দুয়ো আঁঠু লৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাব। (দুয়ো তলৰ প্ৰাৰ্থনাটি গাব; প্ৰয়োজন হ'লে সমাজ সহায় কৰিব।)

মাধৱ মাধৱ নাম বচনত সুমৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধুসবে মাধৱ মাধৱ নাম
উচ্চাৰয় সমস্ত কাৰ্যত।।

তাৰ লগে লগে দুয়ো ঠিয় হৈ হাতযোৰ কৰি প্ৰথমে কন্যাদাতাই ক'ব-

**কন্যাদাতা ঃ** হে সুধী মণ্ডলী, আমি এই পবিত্ৰ দিনত অমুক বংশৰ শ্ৰী/স্বৰ্গীয় অমুকৰ গুণৱান পুত্ৰ শ্ৰীমান অমুক দেৱক আমাৰ কন্যা/ভগ্নী শ্ৰীমতী অমুকী দেৱীক বিবাহ কৰিবৰ কাৰণে আমন্ত্ৰণ কৰি আনি যথাসাধ্য বৰণ কৰি লোৱা হৈছে। এতিয়া সমাজে উচিত বিধানেৰে বিবাহ কাৰ্য্য সম্পাদন কৰে যেন। (এই বুলি কৈ বহিব)।

তাৰ পিছত বৰদাতাই ঠিয় হৈ হাতযোৰকৈ ক'ব -

**বৰৰ অভিভাৱক ঃ** হে সুধী মণ্ডলী, আমিও আজি এই পবিত্ৰ দিনত পবিত্ৰ ক্ষণত অমুক বংশৰ শ্ৰী/স্বৰ্গীয় অমুক দেৱৰ গুণৱতী কন্যা শ্ৰীমতী অমুকী দেৱীক আমাৰ পুত্ৰ/ভাতৃ/ভতিজা শ্ৰীমান অমুকলৈ বিবাহ কৰাবৰ কাৰণে মঙ্গল যাত্ৰা কৰি আহিছো। সজ্জনসকলে আশীষ দানেৰে এই শুভ কাৰ্য্যফেৰা সম্পাদন কৰাওক। (বহিব)

## দৰা কইনাৰ মিলন (কন্যা সম্প্ৰদান)

(কন্যাদাতাই কন্যাৰ সোঁহাত বৰৰ সোঁহাতত লগাই দিব। আয়তীসকলে উৰুলি ধ্বনি কৰিব আৰু সমাজে হৰিধ্বনি কৰিব।)

**কন্যাদাতা ঃ** হে পূৰ্ণানন্দ হৰি আৰু ব্ৰহ্মাস্থূল, আপোনাসবৰ সাক্ষাতত আমি অমুক মাহৰ অমুক পক্ষৰ অমুক তিথিত এই পূণ্যভূমি ভাৰতবৰ্ষত শুভ যোগ শুভ লগ্নত হোৱা বিবাহৰ অমুকৰ বিবাহত অমুকৰ পুত্ৰ বিষ্ণু স্বৰূপ বৰক আমাৰ কন্যা/ভগ্নী শ্ৰীমতী অমুকী দেৱীক আনন্দমনে সালংকৃতা কৰি সম্প্ৰদান কৰিলোঁ।১



**বৰ ঃ** হে পূজ্যবৰ, মই শ্ৰীঅমুকে আপোনাৰ দান শুদ্ধচিত্তে গ্ৰহণ কৰিলো। (হাত এৰা এৰি কৰিব)

**কন্যাদাতা ঃ** হে বিষ্ণু স্বৰূপ বৰ, আজিৰ পৰা আপুনি এই কন্যাক জীৱনৰ সকলো কৰ্মতে আপোনাৰ সঙ্গিনী হিচাপে পালন কৰিব লাগিব। ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুবৰ্গ সাধনত এই কন্যাক সঙ্গিনী হিচাপে ল'ব লাগিব। এই কন্যাৰ জীৱিত বা সুস্থ অৱস্থাত আন কাকো এইদৰে গ্ৰহণ কৰিব নোৱাৰিব। শুভ ক্ষণত সন্তান জন্ম দি লালন-পালন, উপযুক্ত শিক্ষা দি সংস্থাপনৰ ব্যৱস্থা কৰাতো কৰ্তব্য বুলি ধৰিব। বহু ভাগ্যৰ মূৰত এয়া আত্মাৰ সম্বন্ধ ঘটিছে। ঈশ্বৰৰ ইচ্ছা।

**বৰ ঃ** হে মহান, মই সংসাৰৰ উত্থান-পতন, দয়া-মৰম, ধৰ্ম-অধৰ্ম এই সকলোৰে প্ৰতি দায়বদ্ধ হৈ থকাৰ অঙ্গীকাৰ কৰিলোঁ।

**পুনঃ বৰে কন্যালৈ চাই ক'ব-**

হে আয়ুস্মতি, তুমি দীৰ্ঘায়ু হোৱা। পতিব্ৰতা হোৱা, তেজস্বিনী হৈ সু-সন্তান জন্মাবৰ অধিকাৰিণী হোৱা। ঐশ্বৰ্য্য বৃদ্ধিত মন দিবা। তুমি আজি যেনে বস্ত্ৰ পৰিধান কৰিছা, তেনে বস্ত্ৰ বৈ কাটি আনকো পিন্ধাব পৰা এগৰাকী সু শিপিনি হোৱা, ভগৱানে আমাৰ মিলন মধুময়, মঙ্গলময় কৰক।

**দানৰ দক্ষিণা ঃ** (কন্যাদাতাই বটা আৰু শৰাইত গুৱাপান, দক্ষিণা লৈ)

**কন্যাদাতা ঃ** হে আয়ুস্মান, কন্যাদানৰ দক্ষিণা স্বৰূপে মোৰ স্ব উপাৰ্জিত কিছু অৰ্থৰ যথাসাধ্য আগবঢ়ালো, শুদ্ধ চিত্তে গ্ৰহণ কৰক।

**বৰ ঃ** হে পূজ্যবৰ, আপোনাৰ দক্ষিণা শুদ্ধচিত্তে গ্ৰহণ কৰিলো। (ভাগৱতলৈ প্ৰণাম কৰি) কন্যাৰ সম্প্ৰদান কাৰ্য্যত হোৱা দোষ ত্ৰুটি ভগৱন্তই মৰিষণ কৰক। ত্ত ওঁ বিষ্ণু, ওঁ বিষ্ণু, ওঁ বিষ্ণু, ওঁ বিষ্ণু। (সেৱা ধৰিব)

---

শ্লোক ● ১

১। ওঁ *বিষ্ণুৰোং তৎসদস্য অমুকমাসি অমুক ৰাশিস্থে ভাস্কৰে, অমুক পক্ষে, অমুক তিথৌ পূণ্যভূমৌ ভাৰতবৰ্ষে, বৈবাহিক শুভলগ্নে, শুভযোগে, শুভনক্ষত্ৰে, অমুক গোত্ৰস্য, অমুক প্ৰৱৰস্য, অমুকদেৱস্য পুত্ৰায় শ্ৰীঅমুকদেৱায় বিষ্ণুস্বৰূপিনে বৰায় তুভ্য অমুক গোত্ৰস্য, অমুক প্ৰবৰস্য, অমুকদেৱস্য পুত্ৰীম শ্ৰীমতী অমুকীদেৱীং লক্ষ্মীস্বৰূপাং প্ৰজাপতিদৈৱতাং সালংকৃতাং সাচ্ছাদিত্বাং কন্যাং অহং সম্প্ৰপদে।।*

**মাল্য প্ৰদান ঃ** (দৰা কইনা থিয় হ'ব আৰু হাতত মালা ল'ব)

**কন্যা ঃ** হে প্ৰিয়বৰ, এজুপি লতাই আশ্ৰয় লৈ পৰিপুষ্টি হ'বৰ কাৰণে যেনেকৈ এজোপা বৃক্ষৰ প্ৰয়োজন, সেইদৰেই মই আপোনাত আশ্ৰয় লৈ মোৰ জীৱন সুখে সন্তোষেৰে অতিবাহিত কৰিবৰ কাৰণে সুগন্ধি পুষ্পৰে গঁথা এই মালাধাৰী আপোনাক পিন্ধাই স্বামী বৰণ কৰিলো। (মালা বৰৰ মূৰত পিন্ধাই দি কন্যাই বৰক সেৱা কৰিব।) সমজুৱাই হৰিধ্বনি কৰিব, গোপিনীসকলে উৰুলি দিব আৰু মাংগলিক বাদ্য বজাব।২

**বৰ ঃ** (থিয় হৈ থাকিয়েই) হে আয়ুস্মতী, অৰ্দ্ধকায় শৰীৰ যেনেকৈ পুৰ্ণ নহয়, সেইদৰে মই আজিলৈকে অসম্পূৰ্ণ হৈ আছিলো। আজি তোমাক মোৰ জীৱনৰ উন্নতি আৰু পৰিপূৰ্ণতাৰ হকে এই পবিত্ৰ মালাধাৰি পিন্ধাই দিলো। (বৰে কন্যাক মালা পিন্ধাই দিব। পিছত উভয়ে ভাগৱতলৈ সেৱা জনাব। ৰাইজে হৰিধ্বনি আৰু আয়তীসকলে উৰুলিধ্বনি কৰিব।)৩

## তিলক প্ৰদান

**বৰ ঃ** হে কল্যাণী, পৰম মঙ্গলময় পৰমেশ্বৰ, মহা ভাগৱত আৰু সাধু সজ্জনসকলক সাক্ষী কৰি আজি তোমাক মই মোৰ পত্নী স্বৰূপে গ্ৰহণ কৰিলো। (এই বুলিএটি সেন্দুৰৰ ফোট কন্যাৰ কপালত দিব)।

**কন্যা ঃ** হে সাধুসৱ, আপোনাসৱক আৰু ভাগৱতক সাক্ষী কৰি আজি এই প্ৰিয়জনক মই মোৰ স্বামী ৰূপে গ্ৰহণ কৰিলোঁ। (গোপিনীসকলে উৰুলিধ্বনি আৰু সমাজে হৰিধ্বনি কৰিব)।

**বৰৰ সম্ভাষণ ঃ** হে আয়ুস্মতী, ভগৱানে আমাৰ মিলন মধুময় আৰু মঙ্গলময় কৰক। আমি যি দেখো ভালকেই দেখো, যি শুনো ভালকেই শুনো আৰু যি কৰো ভালকেই কৰো যেন। এইয়ে আমাৰ কামনা।

---

শ্লোক ● ২

২। ওঁ পুষ্পৈৰ্নানা ৱিধৈৰ্দ্দিব্যৈঃ পাৰিজাতোদ্ভৱৈস্তথা।
তৱাৰ্থে নিৰ্মিতং মাল্যং গলে ৱদ্ধাম্যহং সখে।।

শ্লোক ● ৩

৩। ওঁ মাঙ্গল্য মাল্যেনানেন ভক্তৃজীৱনহেতুনা।
কণ্ঠে ৱধ্নামি সুভগে ত্বং জীৱ শৰদঃ শতম্।।



## আশীষ বচন

**কন্যাদাতা ঃ** হে লক্ষ্মী, তুমি আজি মোৰ পৰা বিদায় ল'লা। পিতৃ হিচাবে ওপজাৰ পৰা কৰ্তব্যৰ তাৰণাত যদি কোনো সময়ত বেয়া ব্যৱহাৰ কৰিছিলো, সেইবোৰ যেন পাহৰি যোৱা, ৰামৰ মানত যেনে সীতা, চন্দ্ৰৰ মানত ৰোহিণী, নলৰ মানত দময়ন্তী আৰু নাৰায়ণৰ মানত যেনে লক্ষ্মী, তুমিও যেন তোমাৰ স্বামীৰ মানত তেনে স্নেহৰ পাত্ৰী হোৱা। পুত্ৰৱতী, ধনৱতী আৰু হৰি পৰায়ণ হৈ দীৰ্ঘকাল পৰমায়ুৰে জীয়াই থাকা।৫

## কন্যাৰ লগত উৎসৰ্গিত সামগ্ৰী (যৌতুক/উপহাৰ) প্ৰদান

(দুই এপদ সামগ্ৰী দৰাৰ আসনৰ আগত থ'ব)

**কন্যাদাতা ঃ** হে বিষ্ণু স্বৰূপ বৰ, মোৰ কন্যাৰ/ভগ্নীৰ বিবাহ উপলক্ষে আজি মই যথাসাধ্যে সাজ-সজ্জা, কাঁহি-বাতি, আসন আদি শ্ৰীমতী অমুকী দেৱীৰ লগত উৎসৰ্গিত সামগ্ৰী হিচাপে আগবঢ়ালোঁ, শুদ্ধচিত্তে গ্ৰহণ কৰেযেন। (বৰ/কন্যাক উভয় পক্ষৰ আত্মীয়-স্বজন তথা শুভাকাঙ্খীয়ে ইচ্ছা কৰিলে তেখেতসকলৰ প্ৰীতি উপহাৰ দিব পাৰে। যি যি ঠাইত এই নিয়ম নাই এই বিষয়টি অৰ্থাৎ আত্মীয় স্বজনৰ উপহাৰ প্ৰদান বাদ দিব।)৬

**বৰ ঃ** ভাল, আপুনি আগবঢ়োৱা দান শুদ্ধচিত্তে গ্ৰহণ কৰিলোঁ।

**কন্যাদাতালৈ মাননী ঃ** (বৰে এখন শৰাইত গুৱাপাণসহ যথাসাধ্যে দক্ষিণা আগবঢ়াই হাতযোৰ কৰি ক'ব)।

**বৰ ঃ** হে পূজ্যবৰ/আত্মীয়বৰ, আপুনি দুহিত্ৰী/ভগ্নী দানৰ অৰ্থে এই সামান্য মাননী আগবঢ়ালো, অকপতে গ্ৰহণ কৰি কৃতাৰ্থ কৰক।

**কন্যাদাতা ঃ** বিষ্ণু স্বৰূপ বৰ, মাননী আনন্দ মনেৰে গ্ৰহণ কৰিলোঁ।

---

শ্লোক ● ৫

৫। *ওঁ জন্মপ্ৰভৃতিযৎকিঞ্চিৎ পাপংভদ্ৰে ময়াকৃতং তত্বং ক্ষমস হে লক্ষ্মি। স্বৰ্গদাত্ৰি। নমোস্তুতে আক্ৰোশিতা তাড়িতা বা ঘচ্চ বাচা প্ৰপীড়িতা তত্বং ক্ষমস্ব হে লক্ষ্মি। স্বৰ্গদাত্ৰি। নমোস্তুতে।।*

শ্লোক ● ৬

৬। *ওঁ এতানি শয্যাসন পৰিচ্ছদ তৈজসাদনি বৰং।*
*কন্যাভাং যুবয়ো অহং সম্প্ৰদদে।।*

## মোমাই বৰণ

**মোমাই ঃ** হে, আয়ুষ্মান, হে আয়ুষ্মতী, তোমালোকৰ এই পবিত্ৰ শুভ মিলনত মই পৰম সন্তোষিত হৈছো। ভগৱন্তই তোমালোকৰ সৰ্বতো প্ৰকাৰে মঙ্গল কৰক, দীৰ্ঘায়ু কৰক। সুখে দুখে চিৰকাল দুয়ো স্নেহ পাশত আৱদ্ধ থাকিবলৈ ভগৱন্তই শক্তি দিয়ক।

**বৰ কন্যা ঃ** আপোনাৰ আশীৰ্বাদ আমি নতশিৰে গ্ৰহণ কৰিলোঁ।

**বৰ ঃ** (মোমাই সাজ আগবঢ়াই) হে দেৱ, আপোনাৰ ভগ্নী দুহিত্ৰীৰ দানৰ অৰ্থে, শ্ৰদ্ধাৰ চিন স্বৰূপে এই ক্ষুদ্ৰ উপহাৰ আগবঢ়ালো, শুদ্ধচিত্তে গ্ৰহণ কৰক।

**মোমাই ঃ** ভাল, আপোনাৰ উপহাৰ শুদ্ধচিত্তে গ্ৰহণ কৰিলোঁ।

## মঙ্গল আশীষ

**বৰ ঃ** হে প্ৰিয়ে, তুমি আজি পিতৃ গৃহৰ পৰা স্বামীৰ গৃহলৈ যাব লাগিব বুলি ভাবি মনে মনে উৎকণ্ঠিতা হৈছো। তোমাৰ ত্ৰিভাৱাক্লিষ্ট বেদনাময় হিয়াখনি মোক দিয়া। মই স্বামী হিচাপে বহন কৰিম। তেতিয়া তোমাৰ আৰু কোনো চিন্তা নাথাকিব।

**কন্যাদাতা ঃ** হে লক্ষ্মী, তুমি যেন শৰৎ কালৰ পূৰ্ণিমাৰ জোনৰ জ্যোতিৰ দৰে নিৰ্মল হোৱা। তোমাৰ চকুত খং নাইকিয়া হওক, অহংকাৰ শূণ্য হৈ স্বামীৰ কল্যাণকামী হোৱা। তোমাৰ আশ্ৰিতা সকলো প্ৰাণীৰ প্ৰতি মঙ্গলকামী হোৱা। তোমাৰ শৰীৰ জ্যোতি বৃদ্ধি হৈ মন প্ৰফুল্লিত হওক। তুমি অতিথি পৰায়ণা হোৱা।

## বৰৰ সখী আলাপ

**সখী ঃ** (হাতত উপহাৰ লৈ সখী আৰু বৰ দুয়ো থিয় হ'ব) হে সখী আপোনালোকৰ শুভ মিলনৰ এই পৱিত্ৰ দিনত মই পৰম সন্তোষিত হৈছো। সুখে-দুখে আপোনালোকৰ বন্ধুত্ব পাশত আৱদ্ধ থাকিলো। পৰম পিতাই যেন আপোনালোকৰ মঙ্গল কৰে। এই শুভ লগ্নত অকৃত্ৰিম বন্ধুত্বৰ চিন স্বৰূপে এই ক্ষুদ্ৰ উপহাৰ আগবঢ়ালো। গ্ৰহণ কৰি কৃতাৰ্থ কৰক। (উপহাৰ অৰ্পন কৰে)।

**বৰ ঃ** (উপহাৰ ধৰি) হে সখী, আজিৰ পৰা আমি দুয়ো বন্ধুত্বৰ এনাজৰীৰে বান্ধ



খাই থাকিম। সুখে-দুখে, বিপদে-আপদে আৰু ইহকাল-পৰকালে আমি দুয়ো এক হৈ থাকিম। আপোনাক সখী/মিত্ৰ হিচাবে পাই পৰম সন্তোষ লাভ কৰিলো আৰু আপুনি আগবঢ়োৱা যোগ্য উপহাৰ গ্ৰহণ কৰিলো। (স্নেহাভিবাদন কৰিব। উভয় পক্ষৰ উপহাৰ থাকিলে যথাবিহিত ভাবে আদান-প্ৰদান কৰি বহিব)।

## পাণি গ্ৰহণ

(বৰে কন্যাৰ সোঁহাৰ বুঢ়া আঙুলিত নিজৰ সোঁহাতেৰে ধৰি উভয়ে থিয় হৈ ক'ব)

**বৰ ঃ** হি প্ৰিয়ে, মোৰ সৌভাগ্য বৃদ্ধিৰ কাৰণে পৰম মঙ্গলময় ভাগৱত আৰু ভক্তসকলক সাক্ষী কৰি মই তোমাৰ পাণি গ্ৰহণ কৰিলো। মোৰ সৈতে তুমি আজীৱন সুখে-সন্তোষেৰে বাস কৰিবলৈ জীৱন যাত্ৰা আৰম্ভ কৰা। মঙ্গলময় ভগৱানে তোমাক মোৰ গৃহলক্ষ্মী কৰি দিছে। মই সাম, তুমি ঋক। মই আকাশ, তুমি পৃথিৱী। আমি দুয়ো মিলি মুখামুখি হৈ বিবাহ কাৰ্য সম্পাদন কৰিছো। দুয়ো এক হৈ পৱিত্ৰ মিলনেৰে আমি সংসাৰ বঢ়াম। পৰম পিতাই আমাক ভক্তিপৰায়ণা আৰু আয়ুষ্মান পুত্ৰ-কন্যা দান কৰক। আমি উভয়ে প্ৰীতিযুক্ত আৰু দীপ্তিমান হ'ম। তোমাৰ সকলো শত্ৰু পৰাভূত কৰিবলৈ ভগৱন্তই শক্তি দিয়ক।৭

**কন্যা ঃ** হে প্ৰিয়বৰ, ময়ো আজি নিজকে সৌভাগ্যৱতী মানিছো। সমাজ, ভাগৱত আৰু ধৰ্মক সাক্ষী কৰি আপোনাক স্বামী বৰণ কৰিছো। জীৱনে-মৰণে আমি দুয়ো এক হৈ থাকিম। আপোনাৰ ধৰ্ম পত্নী হৈ যেন সুখে-সন্তোষে সংসাৰ ভোগ কৰো।

---

**শ্লোক ● ৭**

৭। *ওঁ গৃভনামিতে সৌভগত্বায় হস্তা ময়া পত্যা জৰদষ্টিৰ্যথা সঃ। অমোহমস্মি সা ত্বং সা ত্বং অসি অমোহম্ সামাহামস্মি, ঋকৃত্বং দ্যৌৰহং পৃথিবীত্বং। তাবেহি বিৱহাৱহৈ সহৰেতো দধাবহৈ। প্ৰজাং জনয়াবহৈ পুত্ৰান্ বিন্দাবহৈ, বহূন্‌তে সন্তু জৰদষ্টয়ঃ। সংপ্ৰিয়ৌ ৰোচিষ্ণু সুমনস্যমানৌ। পশ্যেম শৰদঃ শতং জীবেম শৰদঃ শতঃ শৃণুয়াম শৰদঃ শতং।। ওঁ আৰোহ ইমং অশ্মানং অশ্মেৱ তৎ স্থিৰা ভবা অভিতিষ্ঠি পৃতন্যতোঅববাধস্ব পৃতনায়ত।।*

---

## স্থিতপ্ৰজ্ঞ

(বৰ-কন্যা উভয়ে থিয় হৈ থাকি বৰে কন্যালৈ চাই ক'ব)

**বৰ ঃ** হে প্ৰিয়ে, তুমি শিলৰ দৰে অবিচলিত হোৱা। অৰ্থাৎ স্থিৰ ভাব সম্পন্না হোৱা। তোমাৰ বিপক্ষে আচৰণকাৰীবোৰক পৰাভূত কৰা। প্ৰকৃত নাৰী শক্তি স্বৰূপা, নাৰী শক্তিৰ পৰাই সৰ্বভূত উৎপন্ন হৈছে। নাৰী মাত্ৰেই জগজননীৰ প্ৰতিকৃতি স্বৰূপা। সেই হেতু স্ত্ৰী জাতিৰ যশসূচক গুণগান কৰিছো।

## সপ্তপদী গমন

বিবাহাচাৰ্যই বিষয়টি বুজাই দিব

(বৰৰ বস্ত্ৰৰ আগ আৰু কন্যাৰ বস্ত্ৰৰ আগ লগলগাই এটা লগ্ন গাঁঠি দিব। কনাই পান গচকিব নালাগে। বৰ কন্যা উভয়ে থিয় হ'ব। কনাই সোঁভৰিৰে আৰম্ভ কৰি সাতবাৰ খোজ আগবঢ়াব। প্ৰতি খোজতে বৰে কন্যাক ক'ব -

**বৰ ঃ** অন্নই জীৱসমূহৰ প্ৰাণ। সেই অন্নবৃদ্ধিৰ কাৰণে পৰমাত্মাই তোমাক প্ৰথম খোজ আগবঢ়াওক।৮

কন্যা ঃ ভাল, আপোনাৰ মনোবাঞ্চা সিদ্ধিৰ বাবে মই খোজ আগবঢ়াইছো। (প্ৰথম খোজ দিব)

বৰ ঃ পৰমেশ্বৰে তোমাক শক্তি বৃদ্ধিৰ কাৰণে দ্বিতীয় খোজ আগবঢ়াওক।৯

কন্যা ঃ হে আয়ুষ্মান, স্ত্ৰী সামৰ্থ বৃদ্ধিৰ বাবে মই দ্বিতীয় খোজ আগবঢ়াইছো। (দ্বিতীয় খোজ দিব)

**বৰ ঃ** পৰমাত্মাই ঐশ্বৰ্য্য-বিভূতি বৃদ্ধিৰ বাবে তৃতীয় খোজ আগবঢ়াওক।

কন্যা ঃ সেই অৰ্থে মই তৃতীয় খোজ আগবঢ়াইছো। (তৃতীয় খোজ দিব)১০

---

**শ্লোক ● ৮**

৮। *ওঁ একমিষে বিষ্ণুস্তা নয়তু।।*

**শ্লোক ● ৯**

৯। *ওঁ মে উৰ্জ্জে বিষ্ণুস্তা নয়তু।।*

**শ্লোক ● ১০**

১০। *ওঁ ত্ৰীনি ৰায়স্পোষায় বিষ্ণুস্তা নয়তু।।*



**বৰ ঃ** হে আয়ুষ্মতী, পৰমাত্মাই সুখ লাভৰ অৰ্থে তোমাৰ চতুৰ্থ খোজ আগবঢ়াওক।

**কন্যা ঃ** তথাস্তু। মই সেই অৰ্থে চতুৰ্থ খোজ আগবঢ়াইছো। (চতুৰ্থ খোজ দিব)১১

**বৰ ঃ** ভগৱানে তোমাক পালিত পশু বৃদ্ধিৰ অৰ্থে পঞ্চম খোজ অগ্ৰসৰ কৰাওক।


**কন্যা ঃ** সেই উদ্দেশ্যে মই পঞ্চম খোজ আগবঢ়াইছো। (পঞ্চম খোজ দিব)১২

**বৰ ঃ** হে প্ৰিয়ে, ঈশ্বৰে যেন ঋতুবিলাক আনন্দৰে অতিবাহিত কৰিবলৈ ষষ্ঠ খোজ আগবঢ়াওক।

**কন্যা ঃ** সেই উদ্দেশ্যৰে মই ষষ্ঠ খোজ অগ্ৰসৰ কৰিলো। (ষষ্ঠ খোজ খোজ দিব)১৩

**বৰ ঃ** হে সহধৰ্মিনী, তুমি মোৰ অনুগামিনী হোৱা, তুমি মোৰ অনুৰক্তা হোৱা, পৰোপকাৰ আৰু ঈশ্বৰ কৃত কামত তুমি মোৰ সঙ্গিনী হ'বা। তুমি আৰু মই অভিন্ন ৰূপে জীৱন-যাপন কৰিবলৈ প্ৰভু ভগৱন্তই কুশলে ৰাখক।

**কন্যা ঃ** সাৰ্ব্ব ব্যাপক বিভুক সাক্ষী কৰি কৈছো, সৃষ্টি কৰ্ত্তাৰ বিধান অনুসৰি আজিৰ পৰা আপুনি মোৰ স্বামী। (সপ্তম খোজ আগবঢ়াব, কন্যাই বৰক সেৱা জনাব আৰু সমাজে হৰিধ্বনিৰে আশীৰ্বাদ দিব)১৪



জিৰণি

---

**শ্লোক ● ১১**

১১। *ওঁ চত্বাৰি মায়ো ভৱায় বিষ্ণুস্তা নয়তু।।*

**শ্লোক ● ১২**

১২। *ওঁ মঞ্চ পশুভ্যো বিষ্ণুস্তা নয়তু।।*

**শ্লোক ● ১৩**

১৩। *ওঁ ষড় ঋতুভ্যো বিষ্ণুস্তা নয়তু।।*

**শ্লোক ● ১৪**

১৪। *ওঁ সুখে সপ্তপদা ভৱ। সা মামনুব্ৰতা ভৱ বিষ্ণুস্তা নয়তু।*

## বৰে কন্যাৰ বাহুত সোঁহাতেৰে স্পৰ্শ কৰিব (বহাতে)

**বৰ ঃ** হে আয়ুস্মতি, আজিৰ পৰা মোৰ অভিষ্ট কাৰ্যত তোমাৰ হৃদয় নিয়োগ কৰিছো। মোৰ চিত্তৰ অনুসৰণকাৰী তোমাৰ চিত্ত হওঁক। মোৰ বাক্য একান্তভাবে পালন কৰিবা। ঈশ্বৰে তোমাক মোৰ জীৱন ব্ৰতত সহযোগী হ'বলৈ নিযুক্ত কৰক।১৬ (বৰে হাত এৰি দিব)

**কন্যা ঃ** হে স্বামী, আপুনি যদি তীৰ্থ, ব্ৰত ঈশ্বৰ উপাসনা আদি কৰ্মত অভাগিনীক সংগ দি কৰে তেন্তে মই আপোনাৰ বামাঙ্গিনী হৈ থাকিম।১৭

পুত্ৰ, পৰিয়ালৰ ভৰণ পোষণ আৰু পালিত জীৱ-জন্তু, পক্ষী আদি পালনত সহকৰ্মী কৰি ল'লে মই আপোনাৰ কমাঙ্গিনী হৈ থাকিম।১৮

আয়-ব্যয় শষ্য ৰোপন সংগ্ৰহণ আদি কাৰ্য্যত সমভাগী কৰিলে, মই আপোনাৰ কমাঙ্গিনী হৈয়ে থাকিম।১৯

---

**শ্লোক ● ১৬**

১৬। *ওঁ মমব্ৰত তে হৃদয়ং দধামি মমচিত্তম অনুচিত্তম তে অস্তু।*
*মমবাচম একম্মনা জুযস্ব প্ৰজাপতিস্তা নযুনক্তুমহ্যং।।*

**শ্লোক ● ১৭**

১৭। *তীৰ্থব্ৰতোদ্যাপন যজ্ঞদানং ময়া সহ ত্বং যদি মাও কুৰ্য্যাঃ।*
*বামাঙ্গময়ামি তদা ত্বদীয়ং।।*

**শ্লোক ● ১৮**

১৮। *কুটুম্বৰক্ষাভৰণে যদি ত্বং কাৰ্য্যাঃ. পশুনাং পৰিপালনক।*
*কমাঙ্গময়ামি তদা ত্বদীয়ং।।*

**শ্লোক ● ১৯**

১৯। *আয়-ব্যয়ং ধন্যাধনাদি কানাং দৃষ্টা নিবেশং প্ৰগৃহং নিদাধ্যাঃ।*
*কমঙ্গময়ামি তদা ত্বদীয়ং।।*



ধৰ্মীয় অনুষ্ঠান, সমাজৰ হিতৈষী কুঁৱা, পুখুৰী খন্দা, জলসিঞ্চন আদি কাৰ্য্যত সঙ্গ দি কাৰ্য্য কৰিলে মই আপোনাৰ কমাঙ্গিনী হৈ থাকিম।২০

দেশত বা বিদেশত কৰা বেপাৰ বাণিজ্য সৰ্বদিশতে সঙ্গ দিলে মই বামাঙ্গিনী হৈ থাকিম।২১

যদি পৰস্ত্ৰী অনুৰক্তা অথবা পৰস্ত্ৰী গমন নকৰে তেন্তে মই আপোনাৰ অৰ্দ্ধাংগিনী হৈয়ে কাল কটাম।২২

**বৰ ঃ** মোৰ চিত্তৰ অনুগামী যদি তোমাৰ চিত্ত হয়, আৰু সদা মোৰ আজ্ঞাপালিতা হৈ সতীত্ব ধৰ্ম ৰক্ষা কৰি থাকা, তেন্তে তোমাৰ সকলো বক্তব্য মই ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। ২৩

কোনো পশুধৰ্মী লোকে যদি কদাচিত বলৰে তোমাৰ সতীত্ব, কীৰ্তি হৰণ কৰিব খোজে, তেতিয়া মোৰ সমস্ত শক্তি প্ৰয়োগ কৰি তোমাক উদ্ধাৰ কৰি সন্তোষ মনেৰে গ্ৰহণ কৰিম।২৪

---

**শ্লোক ● ২০**

২০। *দেবালয়াৰাম তড়াগকূপবাপীৰ্বিদধ্যাঃ যদি পূজয়েথা।*
*বামাঙ্গমায়ামি তদা ত্বদীয়ং।।*

**শ্লোক ● ২১**

২১। *দেশান্তৰে বা স্বপুৰান্তৰে বা যদা বিদধ্যাঃ ক্ৰয় বিক্ৰয়ং।*
*ত্বং বামাঙ্গমায়ামি তদা ত্বদীয়ং।।*

**শ্লোক ● ২২**

২২। *ন-সেৱনীয়া পৰিবাৰকীয়া ত্বয়া ভবেদ ভাব নিকা মনাতি।*
*বামাঙ্গমায়ামি তদা ত্বদীয়ং।।*

**শ্লোক ● ২৩**

২৩। *মনীয়চিত্তানুগতঞ্চচিত্তং সদামদাজ্ঞা পৰিপালনঞ্চ।*
*পতিব্ৰতাধৰ্মপৰায়না ত্বং কুয্যাম সদাসৰ্ব মিদং প্ৰযত্নং।।*

**শ্লোক ● ২৪**

২৪। *যদা কদাচিৎ পশুধৰ্মীলোকৈঃ বল্লাদ্ধতাতে সতীত্ব কীৰ্তি তদা ধ্ৰুবং ত্বং*
*মম শক্তি যোগৈঃ সমুদ্ধৰামি গ্ৰহণঞ্চ কুৰ্য্যাম।।*

পুনঃ **বৰ**- হে আয়ুস্মতী, ভকত আৰু ভাগৱত সাক্ষী কৰি আমাৰ বিবাহ কাৰ্য্য সম্পাদন কৰি তোমাক ভাৰ্য্যা হিচাপে গ্ৰহণ কৰিছো। গতিকে মোৰ কৰ্মময় জীৱনৰ সকলো সময়তে মন্ত্ৰীয়ে ৰজাক মন্ত্ৰণা দিয়াৰ দৰেই মোক হিত বুদ্ধিৰে চলিবলৈ সু পৰামৰ্শ দিবা। তুমি মোৰ আনন্দৰ সময়ত সখী ৰূপে থিয় দিবা। স্নেহৰ ক্ষেত্ৰত মোৰ প্ৰতি তুমি মাতৃময়ী হ'বা। তুমি শান্তিময়ী আৰু স্নেহময়ী ৰূপে মোৰ বিষাদপূৰ্ণ সময়ত আশ্বাসবাণী আৰু নিৰ্ভয় দি শান্তি যোগাব লাগিব। শয়ন কক্ষত যেতিয়া প্ৰৱেশ কৰিবা সেই সময়ত নিজকে দাসী ৰূপে ভাবি ল'বা।

## অভিমন্ত্ৰণ

**বৰঃ** হে সুধীমণ্ডলী, আপোনাসবে এই কন্যাটিক উপদেশ আৰু একাষাৰ আশীৰ্বাদ দিয়ক যাতে আমাৰ উভয়ৰে জীৱন ধন্য হয়। এয়ে প্ৰাৰ্থনা। (কন্যাই সেৱা জনাব আৰু সমাজে হৰিধ্বনিৰে আশীৰ্বাদ দিব।)

## বিবাহাচাৰ্য্যৰ বৰ আৰু কন্যাৰ প্ৰতি উপদেশ

হে বৰ, আজিৰ পৰা আপুনি সংসাৰী হ'ল। সেয়েহে দুটিমান উপদেশ আগবঢ়ালোঁ। আজিৰ পৰা আপোনাৰ অসম্পূৰ্ণ জীৱন সম্পূৰ্ণ হ'ল। গৃহস্থী জীৱন আজিৰ পৰা সুখে সন্তোষে কটাই গৃহিণীক উপযুক্ত শিক্ষা দি মনোমত কৰি ল'ব। ভকত আৰু ভাগৱতৰ সাক্ষাতত ধৰ্ম বিবাহ সম্পাদন কৰি লাভ কৰা এই ভাৰ্য্যা আপোনাৰ গৃহলক্ষ্মী। ভাৰ্য্যাৰ সমাদৰেই গৃহলক্ষ্মীৰ সমাদৰ। তেওঁৰ অনাদৰেই গৃহলক্ষ্মীৰ অনাদৰ আৰু ভাৰ্য্যা ত্যাগ মানেই গৃহলক্ষ্মীৰ ত্যাগ বুলি জানিব। গতিকে ভাৰ্য্যাক সমাদৰ আৰু সযত্নে ৰাখিবলৈ চেষ্টা কৰিব। স্ত্ৰী জাতি লজ্জাৱতী আৰু লতাৰ দৰে অলপতে মৃয়মান হয়। অলপ উত্তাপতে গোলাপ ফুলৰ পাহি মৰহাদি মৰহি যায়। এনে স্বভাৱ সুলভ মন আৰু শৰীৰলৈ আপুনি সদায় লক্ষ্য ৰাখিব।

**(কন্যাক উদ্দেশ্য কৰি ক'ব) -**

হে কন্যা, শাস্ত্ৰৰ এফাঁকি বচন মতে স্ত্ৰীৰ স্বামীৰ বাহিৰে আন কোনো নাই। স্বামী দেৱতাক একচিত্তে ধ্যান কৰিলে সকলো পূজা সমাধা হয়। ভাৰ্য্যাৰ



স্বামীহে মুক্তি দাতা বুলি জ্ঞান কৰি সদায় চলিবলৈ চেষ্টা কৰিবা।

**বৰ আৰু কন্যা উভয়ে ক'ব ঃ**

ভাল আপোনাৰ উপদেশ পালন কৰি চলিবলৈ সদায় যত্ন কৰিম।

বিবাহাচাৰ্য্যই গাই শুনাব ঃ

একখানি মাত্ৰ শাস্ত্ৰ নিষ্ট দৈৱকী নন্দনে কৈলা যাক
দেৱো এক মাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদ সেৱা কৰ্মো এক এহি মানে মাত্ৰ
মন্ত্ৰো এক মাত্ৰ তান নাম অদভূত।।

(এক দেৱ, এক সেৱ, এক নামত মন দৃঢ় কৰি ৰাখিবৰ বাবে উপদেশ দিব)

মানৱ জীৱনৰ পহিলা সংস্কাৰ হ'ল, প্ৰথমতে ধৰ্মত আশ্ৰয় গ্ৰহণ কৰা বা শৰণ লোৱাটো। এই সংস্কাৰেৰে সংস্কৃত হ'লে ধৰ্ম পথত আগবাঢ়ি ক্ৰমাগত নামধৰ্ম বস্তুৰ তত্ব বুলি একশৰণ ধৰ্মৰ পাত্ৰ হোৱাৰ পথ প্ৰশস্ত হ'ব।

দ্বিতীয় সংস্কাৰ হৈছে বিবাহ। এই সংস্কাৰেৰে সংসাৰী হৈ জীৱন যাত্ৰা আৰম্ভ কৰি পূৰ্ণ মানৱ জীৱনৰ সোৱাদ, দান, পূণ্য, ভক্তিধৰ্মৰ পথৰ এজন প্ৰকৃত যাত্ৰীৰূপে আজীৱন সংসাৰ যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ শক্তি লাভ কৰা। এই দুই সংস্কাৰ ৰহিত সকলে শুদ্ধাচাৰী আৰু ভাগৱত ধৰ্মধাৰী ব্যক্তি ৰূপে প্ৰতিপন্ন হোৱাৰ উপায় নাই। 'বিবাহ' শব্দৰ অৰ্থ হ'ল - 'বি' উপসৰ্গ 'বাহ' ধাতু। 'বি' মানে বিশেষ ভাৱে। 'বাহ' মানে বহন কৰা। অৰ্থাৎ বিশেষ ভাবে বহন কৰা। সংসাৰৰ ভাৰখন বিশেষ ভাবে বহন কৰি যোৱাই হ'ল - 'বিবাহ'।

# সামৰণি

তলৰ ঘোষাফাঁকি বৰ আৰু কন্যাই উভয়ে ভাগৱতলৈ সেৱা জনাই গাব। প্ৰয়োজন হ'লে বিবাহাচাৰ্য্যই সহায় কৰিব।

তোমাৰ চৰণ সেৱাৰ গোবিন্দ
নাজানো একো উপায়।
যিমতে সেৱাত ৰহিবো কৰুণা
কৰিতে হৰি যুৱাই।।
হে প্ৰাণ হৰি দান্তে তৃণ ধৰি
মাগোহো তোমাৰ পাৱে।
মোৰ মন জানি তোমাৰ নামত
ৰহোক হৰি স্বভাৱে।।
জ্বৰ তাপ পীড়া মৰণ সময়ে
কৰা হৰি কৃপা মোক।
তযু গুণ নাম শ্ৰৱণ স্মৰণ
বচন গোচৰ হোক।।
গোপিনীৰ ধন ব্ৰজৰ জীৱন
মোহন ৰাম গোবিন্দ।
পৰম সাদৰে শিৰে তুলি ধৰো
তযু পদ অৰবিন্দ।।

(ঘোষাৰ অন্তত সমাজে হৰিধ্বনি কৰিব।)



# অপৰাধ ভঞ্জন

বৰপক্ষ আৰু কন্যাপক্ষই একোখন শৰাইত সমাজক ১০.০০ (দহ) টকাকৈ গুৱা-পাণসহ অৰিহণা আগবঢ়াই গাব-

অপৰাধ বিনাশন তযু নামে নাৰায়ণ
জানি নামে পশিলো শৰণ
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণ।।

(সমাজে হৰিধ্বনিৰে আশীৰ্বাদ কৰিব।)

# বিবাহাচাৰ্য্যৰ মাননী

দৰা-কন্যাই সাধ্যানুসৰি উপহাৰ, দক্ষিণা আদি গুৱা-পাণসহ এখন শৰাইত বিবাহাচাৰ্য্যক আগবঢ়াই দি সন্মান জনাব।

(শেষত বিবাহাচাৰ্য্যই বিধিৰ কাৰ্য্য সমাপ্ত বুলি ঘোষণা কৰিব যদিও বৰ-কন্যা ভিতৰলৈ যোৱাৰ আগতে উপ সংহাৰত থকা বচনখিনি পাঠ কৰি শুনোৱাতো প্ৰয়োজনীয় বুলি মান্য কৰিব। অথবা দৰা-কন্যা ভিতৰলৈ যা।)

## ওঁ কৃষ্ণাৰ্পনমস্তু

# উপসংহাৰ

বিবাহ কাৰ্য্যৰ অন্তত বৰ কন্যাই সেৱা ধৰাৰ পূৰ্বে বিবাহাচাৰ্য্যই এই অংশত থকা তত্বখিনি চমুকৈ আগবঢ়াব। পৰিবেশ পৰিস্থিতিৰ প্ৰতি লক্ষ্যৰাখি পঢ়িও শুনাব পাৰে।

যেনে -

"কাৰ্য্যেষু মন্ত্ৰী, কৰণেসু দাসী।
স্নেহেষু মাতা, শয়নেষু বেশ্যা।।
ৰঙ্গেচু সখী, ক্ষমায়া ধৰিত্ৰী।
ৰূপেচ গুনৈচ বয়সেচ তুল্যা।।
এবম্বি ধাযা সা এচ ভাৰ্য্যা।।।"

যি তিৰোতাই স্বামীৰ কাৰ্য্যত মন্ত্ৰীৰ দৰে পৰামৰ্শ কাৰিনী, কাম কৰাত দাসীৰ নিচিনা আচৰণ, মাতাৰ দৰে যি চেনেহ কৰে, শয়নত বেশ্যা আৰু ধেমালিত সখীৰ দৰে ব্যৱহাৰ, পৃথিৱীৰ দৰে সহিব পৰা যাৰ গুণ থাকে, ৰূপ, গুণ, বয়সত স্বামীৰ তুল্য হয়, তেৱেঁই প্ৰকৃত ভাৰ্য্যা।

"আৰ্ত্তাৰ্ত্তে মুদিতে হৃষ্টা প্ৰোষিতে মলিনা কৃষণা।
মৃতে শ্ৰয়তে যা পতৌ সাধ্বী জ্ঞেয়া পতিব্ৰতা।।"

যি তিৰোতাই স্বামীৰ দুখত দুখিনী, স্বামীৰ সুখত সুখী, স্বামী প্ৰবাসত থাকিলে মলিনা আৰু ক্ষীণা হয়, তেৱেঁই পতিব্ৰতা নাৰী।

"সা ভাৰ্য্য যা গৃহে সা ভাৰ্য্য যা প্ৰিয়ম্বদা।
সা ভাৰ্য্য যা প্ৰিয়প্ৰাণা সা ভাৰ্য্যা পতিব্ৰতা।।"

অৰ্থাৎ গৃহ কাৰ্য্যত পাৰ্গত, প্ৰিয়বাদিনী, পতিপ্ৰাণা, পতিব্ৰতা তিৰোতাই প্ৰকৃত ভাৰ্য্যা।

"সেহি নাৰী পতিব্ৰতা জগত ভিতৰে।
কদাচ স্বামীৰ দোষ প্ৰকাশ নকৰে।।
মুৰ্খ, অন্ধ, ধৰ্মহীন হয় যদি মতি।
অসৎ কামত সদা থাকে যদি মতি।।



তথাপিতো সতী নাৰী ঢাকি সিসৱক।
গুণৰ প্ৰশংসা সদা কয় জগতক।। (নল দময়ন্তী)

সতী স্ত্ৰীসকলৰ ধৰ্ম কৰ্মৰ জৰিয়তে স্বামীৰ শৌৰ্য্য বীৰ্জত ৰক্ষা হৈ কালমায়াৰ পৰা হাত সাৰিব পাৰে। যেনে -

সতী স্ত্ৰীসকলৰ স্বামীসে ভূষণ।
কদাচিতো নলঙ্ঘিবা স্বামীৰ বচন।।
একচিত্তে সেৱা কৰিবাহা সৰ্ব্বক্ষণে।
কৰিবা শুশ্ৰূষা শহু-শাহুৰ চৰণে।।
অৱহেলা নকৰিবা দেৱৰ সৱক।
কৰিবাহা দয়া অতি সমস্ত জনক।।
তেবে তযু শুদ্ধ যশে জুৰিব সংসাৰ।
ইহ পৰলোকে সুখ মিলিবে তোমাৰ।।

(এইখিনিতে ৰজা হৰিচন্দ্ৰৰ প্ৰতি ভাৰ্য্যা শৈব্যাই কৰা ত্যাগৰ নিদৰ্শন সম্পৰ্কে বুজাই ক'ব। সতী কেনেকৈ হ'ব পাৰি বা সতীৰ ধৰ্ম কি এই বিষয়ে আচাৰ্য্যই ব্যাখ্যা আগবঢ়াব। ভাগৱতত উল্লেখিত সতীসকলৰ বা ৰাধিকা সতীৰ চাৰিত্ৰীক গুণসমূহৰ বিষয়ে বৰ্ণনা দিব পাৰিলে ভাল। সতী সম্পৰ্কত তলৰ কেইফাঁকি পাঠ কৰি শুনোৱাৰ লগতে ব্যাখ্যাসহ বুজাই ক'ব।)

স্বামীজপ স্বামীতপ স্বামী কৰো ধ্যান।
স্বামীৰ কুশল বিনে নিচিন্তোহো আন।।
স্বামী বিনে পৰ পুৰুষক কদাচন।
বৃথায়ে নকৰো দৰ্শন আলাপন।।
স্বামীক নিদিয়া কেহো নকৰো ভোজন।
স্বামীক নুসুধি কতো নকৰো গমন।।
সত্য শৌচ ক্ষমা দয়া অতিথি সৎকাৰ।
কদাপিতো কাহাকো নকৰো তিৰস্কাৰ।।
স্ত্ৰীজাতি ভৈল তাৰ স্বামী জীৱ প্ৰাণ।
স্বামীয়ে দেৱতা, যত তপ জপ ধ্যান।।
পতিব্ৰতা স্ত্ৰীৰ স্বামীয়ে জীৱন।
স্বামীৰ বিহনে কেনে ৰাখি আছো প্ৰাণ।। (ভাগৱত)

সত্য মানে ঈশ্বৰ। এক ঈশ্বৰৰ উপাসনা কৰাই প্ৰকৃত সত্য। কিয়নো "তুমিসে কেৱল সত্য মিছা সবে আন।" সেয়েহে ভগৱন্তৰ গুণ নাম শ্ৰৱণ কীৰ্তনৰ যোগেদি এক ঈশ্বৰত শৰণ, ভজন গ্ৰহণ কৰিলেহে মানৱী জীৱন সফল হ'ব। এক শৰণ সম্পৰ্কে গুৰু পুৰুষে লিখিছে -

সেহি এক শৰণ ভজন অনুপাম।
নুশুনয় কৰ্ণে আন দেৱতাৰ নাম।।
সৰ্ব ধৰ্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা সেৱা সখি আন দেৱতাৰ।
নুহি যেন আমাৰ ভকতি ব্যভিচাৰ।।
আন দেৱ এৰে কৰৈ কেশৱক সম।
জানিবাহা সি সি জন পাতকী পৰম।।
জানিবাহা সমস্ত শাস্ত্ৰৰ ইসে মজা।
আন ধৰ্ম কিঙ্কৰ নামেসে তাৰ ৰাজা।। ইত্যাদি

এক ঈশ্বৰ সেৱা উপাসনাৰ লগতে সদায় বাক্য আৰু কৰ্ম সত্য হ'ব লাগে। আমাৰ আৰ্জনৰ পথবিলাকো সৎ হ'ব লাগে। বাক্য সত্য হ'লেই নহ'ব। কৰ্ম শুদ্ধ হ'লেহে ভগৱান প্ৰসন্ন হ'ব।

শৌচ মানে পৰিস্কাৰ পৰিচ্ছন্নতা। এই শৌচ দুই প্ৰকাৰৰ। দৈহিক শৌচ আৰু আত্মিক শৌচ। দৈহিক শৌচ মানে বিজ্ঞান সন্মত ভাবে দেহৰ বাহ্যিক অঙ্গসমূহ শুদ্ধি কৰা। আত্মিক শৌচ মানে গুৰু সেৱা, ভগৱন্তৰ গুণানুকীৰ্তনেৰে মন আৰু আত্মাক শুদ্ধি কৰা।

ধৌত যশে চিত্ত শুদ্ধ হুয়া সন্তজন।
সেহি মতে কৰয় আচৰণ প্ৰৱৰ্তন।।

শাস্ত্ৰই মানুহ নিৰোগী হ'বৰ কাৰণে চাৰি প্ৰকাৰৰ শৌচৰ কথা উল্লেখ কৰিছে-

শৌচ কৰা চুৱা বোলে স্নানে শুদ্ধ হয়।
তাতো কৰি অপবিত্ৰ বাহিক বোলয়।।
স্ত্ৰী পুৰুষ সহবাসে হোৱে যি শয্যাত।
মহা শ্মশানৰ তুল্য জাপাসাৰ তত্ব।।



এতেকে অশুদ্ধ তাৰ বস্ত্ৰ আদি যত।
নকৰিব ব্যৱহাৰ শুদ্ধ অৱস্থাত।।
ঈশ্বৰৰ সেৱাত ধুতি সাজ ভোজনত।
শয়নত বাহি চুৱা বোলয় শৌচত।।

পৰিস্কাৰ পচ্ছিন্নতাই মনক আনন্দ দিয়ে। সেয়েহে গৃহ মাৰ্জন, বাচন-বৰ্তন, কাপোৰ-কানি পৰিস্কাৰ, স্নানাদি স্বাস্থ্য ৰক্ষাৰ ঘাই কাৰণ। ঠিক সেইদৰেই দ্ৰোপদীয়ে তেওঁৰ পঞ্চ পুত্ৰবধী অশ্বত্থমা আৰু মাক গৌতমীৰ প্ৰতি কৰা ক্ষমা ভাৱৰ উক্তি, দ্ৰোপদীয়ে ভোকাতুৰ দুৰ্বাসাক চৰুত লাগি থকা খুদকণকো অন্ন হিচাবে আগবঢ়াই অতিথি সৎকাৰ আৰু গৃহস্থী ধৰ্ম পালন কৰা, বিপ্ৰ পত্নী সকলে ভোকাতুৰ অন্নপ্ৰাৰ্থী গোপ বালকসকলক অন্ন ব্যঞ্জন আগবঢ়োৱা দয়া ভাবৰ আদৰ্শবিলাক প্ৰতিগৰাকী মহিলাই অনুসৰণ কৰি ভগবৎ কৃপাৰে পৰম সতী হৈ গৃহলক্ষ্মী হ'ব পাৰে। মহাভাৰতত ব্যাসদেৱে উল্লেখ কৰিছে -

"যাৰ ঘৰে থাকে ৰাজা ভাৰ্য্যা গুণৱতী।
পতি পুত্ৰ সদাচাৰে হোৱে মহাসতী।।
স্বামী বোল নলঙিঘবা সদগুৰু ভক্ত।
সদায়ে থাকন্ত লক্ষ্মী তাহাৰ গৃহত।।

এগৰাকী নাৰীৰ সতী ধৰ্ম ৰক্ষাৰ বলত পতি পুত্ৰ সমন্বিতে পৰিয়াল বৰ্গৰ যেনেকৈ কল্যাণ সাধন হ'ব পাৰে, তেনেকৈ নিজৰ অসতী ভাবাপন্ন আচৰণৰ ফলত অকালতে বিধবাও হ'ব পাৰে। ভাগৱতৰ দশম স্কন্ধৰ ৰাসলীলা অধ্যায়ত এই তত্ব বিদ্যমান। গোপীসকলৰ লগত শ্ৰীকৃষ্ণৰ ক্ৰীড়া কৰি থাকোতে প্ৰথম অৱস্থাত গোপীসকলৰ অহঙ্কাৰ দেখি প্ৰভু অন্তৰ্দ্ধান হয়। দেখা গ'ল গোপীসকলৰ অসতী ভাৱৰ অহঙ্কাৰে স্বামী কৃষ্ণক কিছু পৰলৈ হ'লেও হেৰুৱাই পেলোৱা অৰ্থাৎ স্বামী স্নেহৰ পৰা বঞ্চিত হোৱা বুজাইছে। আকৌ ৰাধা নামৰ গোপী গৰাকীয়ে অহঙ্কাৰ ভাবত কৃষ্ণক কটাক্ষ কৰি "অঃ গোপী সৱক তেজি হামাক আনল, হামোসম সৌভাগিনী কোন থিক" বুলি ঠেহ পতাত শ্ৰীকৃষ্ণই সুধিলে, "প্ৰাণৰাধে, তুহু কি নিমিত্তে ৰহল?" অভিমানী গোপী গৰাকীয়ে ক'লে "হে কৃষ্ণ তোহো দাৰুণ পুৰুষ, হামো ভূমি পাৱে চলৈছো, তাহে নাহি দেখল, অব হামো চলয়ে নাহি পাৰি, যেমন কৈৱা নিয়া যাব।" তেতিয়া কৃষ্ণই ক'লে, "যেবে চলয়ে নাহি পাৰি, এবে হামাৰ স্কন্ধে চৰসিয়া"বুলি কান্ধ পাতি ৰ'ল। দুষ্টনাৰী ৰাধাই তেওঁৰ স্বামী জগতৰ পূজ্য

ভগৱন্তৰ স্কন্ধত অহংকাৰত মত্ত হৈ উঠিব খোজোতেই কৃষ্ণ অন্তৰ্দ্ধান হ'ল। গতিকে দুষ্ট নাৰীৰ কুৎচিৎ ব্যৱহাৰত স্বামীৰ আয়ুস নষ্ট হ'ব পাৰে। সেয়ে কৃষ্ণই এৰাৰ দৰে তেওঁলোকৰ অসতী ভাৱৰ পৰা স্বামীয়ে চিৰ বিদায় ল'ব পাৰে। সেয়েহে স্বামীক, গুৰু, ঈশ্বৰ জ্ঞান কৰি সজ অন্ন, সৎ বাক্য প্ৰদানেৰে সতী তিৰোতাই চিৰকালে স্বামীৰ সুখ দুখৰ সমভাগী হৈ বসবাস কৰিলে দাম্পত্য জীৱন কল্যাণময় হ'ব পাৰে। অৱশ্যে কেৱল নাৰীয়েই যে এনে কৰিব লাগে তেনে নহয়। পতিয়েও পত্নী গৰাকীক নলে দময়ন্তীক, চন্দ্ৰই ৰোহিনীক, নাৰায়ণে লক্ষ্মীক আৰু ৰজা হৰিচন্দ্ৰই ভাৰ্য্যা শৈবাক কৰাৰ দৰে ব্যৱহাৰ কৰিব লাগে।

## অন্নযোনিৰ সম্পৰ্কে বিজ্ঞান সম্মত জ্ঞান

আমি আমাৰ দেহ, মন কৰ্মাদি সৎ কৰি ৰাখিবলৈ হ'লে আমাৰ আহাৰ শুদ্ধ হ'ব লাগিব। কিয়নো আমি খোৱা আহাৰ শৰীৰৰ সাতটা পৰিপাক যন্ত্ৰত পৰিপাক হৈ (৭×৭=৪৯) উনপঞ্চাশ দিনত তেজ হয়গৈ। আকৌ তেজ পূৰ্ণ পৰিশোধিত হৈ শুক্ৰ বা বীৰ্য অৱস্থা পায়। শুদ্ধ আহাৰৰ পৰা শুদ্ধ আৰু সেই শুক্ৰৰ পৰা শুদ্ধ সন্তান মানে বিকাৰ মুক্ত সন্তান লাভ কৰিব পাৰি। আমাৰ চাহ, তামোল, পিঠা-পনা, আহাৰ আদি প্ৰস্তুত কৰোতে যিবোৰ শব্দৰ প্ৰয়োগ কৰা হয় সেয়া যদি অশুদ্ধ শব্দ হয়, তেন্তে সেই আহাৰো অশুদ্ধ হ'ব। যেনেকৈ ভাল বীজৰ পৰাহে ভাল ফল পাব পাৰি, তেনেকৈ শুদ্ধ আহাৰৰ পৰাহে শুদ্ধ মানে সু সন্তান আশা কৰিব পাৰি। অশুদ্ধ তেজত অশুদ্ধ কৰ্ম আচৰণ হয়। যাৰ ফলত সমাজত নানা বিশৃংখলতাই দেখা দিয়ে। অন্ন সম্পৰ্কে শাস্ত্ৰত কৈছে -

"অন্নাৎ ভবতি ভূতানি পৰ্জ্জনাৎ অন্ন সম্ভৱঃ।
যজ্ঞাৎ ভবতি পৰনেগ যজ্ঞনেগ যজ্ঞকৰ্ম সমুদ্ভৱঃ।।
কৰ্ম্মবশোদ্ভবং বিদ্ধি ব্ৰহ্মাক্ষৰ সমুদ্ভবম্।
তস্মাৎ সৰ্বগতং ব্ৰহ্ম নিতং যজ্ঞে প্ৰতিষ্ঠিতম।। - (গীতা)

আকৌ -

দুষ্কৃতং হি মনষ্যস্য সৰ্বমন্নে ব্যৱস্থিতম্।
যো যস্যান্নং সমশ্নাতি য তস্যাশ্নাতি কিল্মিষম।।



অবজ্ঞাতং বাচধৃতং সৰোষং বিস্ময়ান্বিতম্।
গুৰুৰূপী ন ভোক্তবৈমন্নং সংস্কাৰবৰ্জিতম।। (পদ্ম পুৰাণ)

গতিকে আহৰণৰ পথ সৎ হ'ব লাগিব। অন্ন সিদ্ধকাৰী বা আগবঢ়াওতাজনো সকলো প্ৰকাৰে শুদ্ধ হ'ব লাগিব। যিকোনো মানুহৰ সকলো পাপ অন্নত সংক্ৰমিত হৈ ৰয়। সেই কাৰণে যি যাৰ অন্ন খায়, তেওঁ সেইজনৰ পাপৰ ভাগী হয়। উদাহৰণ স্বৰূপে অভিমানী দুৰ্যোধনৰ পাপন্ন গ্ৰহণ কৰি থকাৰ বাবে ধাৰ্মিক ভীষ্মই দ্ৰোপদীৰ বস্ত্ৰ হৰণকে ধৰি কৌৰৱৰ অন্যায় অধৰ্মৰ বিপৰীতে মাত মাতিব নোৱাৰিছিল। গতিকে ভগৱন্তত নিবেদিত গুৰুবাক্যৰে চৰ্চন কৰা শুদ্ধ শব্দৰে (কৃষ্ণ মন্ত্ৰযুক্ত) সিদ্ধ কৰা আহাৰহে গ্ৰহণ কৰিব লাগে। কাম, ক্ৰোধ, লোভ, মোহ, দম্ভ, অহংকাৰ আদি ভাব লৈ অপবিত্ৰ দেহ মনৰে অন্ন সিদ্ধ কৰিলে সেই অন্ন অপবিত্ৰ হয় আৰু তেনে অন্ন গ্ৰহণকাৰীজনৰো অপৰাধ হয়। এই সম্পৰ্কত সন্তাৱলী পুথিত লিখিছে -

কৃষ্ণ মন্ত্ৰীহীন যিটো অতিশয় দুষ্টা।
তাৰ জল সুৰা, অন্ন কুকুৰ বিষ্ঠা।।

আনহাতেদি মানুহে সদায় সাত্বিক আহাৰহে গ্ৰহণ কৰিব লাগে। সত্বগুণী আহাৰে দেহ মন পবিত্ৰ কৰি ৰাখে। ৰজোগুণী আহাৰে দম্ভ, অহংকাৰ আদি ৰিপু বঢ়ায়। তমোগুণী আহাৰে ৰোগী কৰে। ইয়াৰোপৰি খোৱা বোৱাৰ ক্ষেত্ৰত আন কিছুমান বিজ্ঞান সম্মত ৰীতি-নীতিও মানি চলাতো প্ৰয়োজন। যেনে -

একাদশী অমাবস্যা পাপযুক্ত অন্ন।
তৈল মাংস আদি সন্তে নকৰে ভোজন।।
নুভুঞ্জিবে মৎস্য মাংস বক পঞ্চামত।
নিসিদ্ধ দ্ৰব্যকে নিতে তেজিবে সতত।।

পিতল বা কাঁহৰ পাত্ৰত নেমু ৰস থ'লে পাত্ৰৰ বিকাৰত সি বিহলৈ ৰূপান্তৰিত হোৱাৰ দৰে অসতী নাৰীও অসতি পাত্ৰৰ দৰে। সতী ভাৱতহে নাৰী শুদ্ধ পাত্ৰ হয়। তেনে নাৰীহে সৎ আৰু সাধু সন্তানৰ মাতৃ হ'ব পাৰে।

অন্নৰ বিচাৰৰ দৰে যোনিৰ বিচাৰো অত্যন্ত গুৰুত্বপূৰ্ণ তথা বিজ্ঞান সম্মত। ধৰ্ম শাস্ত্ৰ মতেও ইয়াৰ তাৎপৰ্য্য আছে। যোনিৰ বিচাৰ পাঁচ প্ৰকাৰৰ -

**১। তিথিৰ বিচাৰ ঃ** অমাবস্যা, একাদশী, পূৰ্ণিমা, সংক্ৰান্তি, অষ্টমী আৰু চতুৰ্দশী তিথিত স্ত্ৰী সহবাস কৰিব নাপায়।

২। **ঋতুৰ বিচাৰ ঃ** ঋতু স্নানৰ ৭ দিনৰ ভিতৰত স্ত্ৰী সহবাসত গৰ্ভস্থিতি হ'লে সন্তান অল্পায়ু আৰু অসৎ স্বভাৱৰ হয়।

৩। **গ্ৰহৰ বিচাৰ ঃ** গাৰ্হস্থ্য বিজ্ঞান মতে দিনৰ চাৰিটা প্ৰহৰত স্ত্ৰী সহবাস পশুবৎ। উক্ত সময়ত ব্ৰহ্ম স্থিতি হ'লে সন্তান অল্পায়ু আৰু ৰোগীয়া হয়। ধৰ্মশাস্ত্ৰ আৰু আধুনিক বিজ্ঞানেও ইয়াক নিষিদ্ধ কৰিছে। ৰাতিৰ প্ৰথম প্ৰহৰত (৬ ৰ পৰা ৯ বজালৈ) গৰ্ভস্থিতি হ'লে হিৰণ্যাক্ষ-হিৰণ্যকশিপুৰ দৰে অসুৰ সন্তান জন্ম হয়। গতিকে এই সময়খিনি পৰিতেজ্য। ৰাতিৰ দ্বিতীয় প্ৰহৰত (৯ ৰ পৰা ১২ বজালৈ) স্থিতি হোৱা সন্তান ঠগ, প্ৰৱঞ্চক হয়। তৃতীয় প্ৰহৰত (১২ ৰ পৰা ৩ বজালৈ) স্থিতি হোৱা সন্তান দস্যু, চোৰ আদি হয়। গতিকে এই সময়ও পৰিতেজ্য। শাস্ত্ৰ মতে ৰাতিৰ চতুৰ্থ প্ৰহৰত (৩ ৰ পৰা ৬ বজালৈ) গৰ্ভস্থিতি হ'লে সেই সন্তান সাধু, মেধাৱী আৰু আয়ুষ্মান হয়।

৪। **কুলৰ বিচাৰ ঃ** একে কুলৰ মাজতহে বিবাহ হোৱা উচিত। কিয়নো একে কুলৰ বাহিৰত হোৱা নাৰী-পুৰুষৰ মিলনত জাত হোৱা সন্তানক বৰ্ণশঙ্কৰ বোলা হয়। তেনে সন্তান দাম্ভিক, অহংকাৰী আৰু দুষ্ট বুদ্ধিৰ হোৱাৰ আশংকা।

৫। **ভাব বিচাৰ ঃ** গৰ্ভস্থিতি দিবৰ সময়ত নাৰী পুৰুষৰ মন প্ৰফুল্ল কৰি ৰাখিব। ৰাগীয়াল দ্ৰব্য ভক্ষন নকৰিব। নিৰামিষ আহাৰ গ্ৰহণ কৰি পৰিস্কাৰ পৰিচ্ছন্নতাৰে ব্ৰহ্মৰূপী সনাতন ঈশ্বৰক চিন্তা কৰিব। সন্তান ভূমিস্থ নোহোৱা পৰ্যন্ত অসৎ ভাব, অসৎ চিন্তা মনলৈ নানিব। নিত্য নৈমিত্তিক গুৰু সেৱা, ঈশ্বৰ সেৱা কৰাৰ লগতে সদায় সৎ কথা আৰু হৰিগুণ শ্ৰৱণ কীৰ্তনেৰে হৰি পৰায়ণ হৈ চলিব। অন্নযোনি বিচাৰ নকৰাজনৰ প্ৰতি নামঘোষাই কৈছে -

অন্ন যোনিৰ নকৰি বিচাৰ
জাতি কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদ পন্থ কৰি নষ্ট।।

।।কৃষ্ণ।।



## কেইটামান মানিবলগীয়া কথা

১। **পৰম ধৰ্ম কি?**

অহিংসাই পৰম ধৰ্ম। "কলিৰ পৰম ধৰ্ম জানা হৰিনাম।"

২। পূণ্যকাম কি?

জগতৰ পূণ্য মানে জানা নিষ্ঠ কৰি।
প্ৰাণী উপকাৰৰ অল্পকো নুহি সৰি।।
হেন জানি প্ৰাণীক অভয় দিয়া দান।
নকৰিবা হিংসা একো প্ৰাণী সমস্তৰ।।

৩। সাদাচাৰ কি আৰু কেইপ্ৰকাৰৰ?

তিনি প্ৰকাৰৰ ঃ (ক) কায়িক (খ) বাচিক (গ) আত্মিক বা মানসিক।

(ক) কায়িক সদাচাৰ ঃ শৌচাচাৰ, স্নান, মুখশুদ্ধি ইত্যাদি।

(খ) বাচিক সদাচাৰ ঃ সত্য কথা কোৱা, বাক্য সংযম ইত্যাদি।

(গ) আত্মিক বা মানসিক সদাচাৰ ঃ ঈশ্বৰ চিন্তা, ৰিপু দমন, মনক সংযম ইত্যাদি।

৪। আহাৰৰ প্ৰকাৰ ভেদ ঃ

(ক) সাত্বিক আহাৰ- ফুল-মূল, পৰমান্ন, গাখীৰ, ঘিউ, মৌ, মাহ-প্ৰসাদ ইত্যাদি।

(খ) ৰাজসিক আহাৰ - মাছ, মাংস, কণী আদি।

(গ) তামসিক আহাৰ - মদ, ভাং, নিচাজাতীয় দ্ৰব্য (ড্ৰাগছ) আদি।

৫। কৰ্মৰ প্ৰকাৰ ভেদ (গীতাৰ মতে) ঃ

(ক) কৰ্ম - ঈশ্বৰ সেৱা, গুৰু সেৱা, জনসেৱা আদি।

(খ) বিকৰ্ম - গৰহিত কৰ্ম কৰা। ইয়াৰ প্ৰায়চিত্ত আছে। তথাপি ইয়াক এৰাই চলিব লাগে।

(গ) অকৰ্ম - কৃষ্ণদেৱৰ বাদে আন দেৱ-দেৱীৰ উপাসনা কৰা। ইয়াৰ কোনো প্ৰায়চিত্ত নাই। গতিকে (এক শৰণ নামধৰ্মীয় লোকৰ) ই বৰ্জনীয়।

অন্য প্ৰকাৰে -

(ক) নিষিদ্ধ কৰ্ম- চুৰি, হিংসা, মদ্যপান, অভক্ষ ভক্ষন, অগম্যাগমন, হত্যা আদি।

(খ) কাম্য কৰ্ম- অৱশ্য পালনীয় যেনে- পৰিয়াল ভৰণ-পোষন,

পৰোপকাৰ সাধন আদি।

(গ) কৰ্তব্য কৰ্ম- গুৰু সেৱা, ঈশ্বৰ সেৱা, ভগৱন্তৰ গুণনাম শ্ৰৱণ আৰু কীৰ্তন, শাস্ত্ৰ অধ্যয়ন আদি।

সুৰাপায়ী চাতুকাৰ চাণ্ডাল।
নিষ্ঠুৰ বাক্য বোলে সৰ্বকাল।।
পুত্ৰ দ্বাৰা ধন আতেসে ৰতি।
সবাতো অধম সি পাপমতি।।
স্ত্ৰী ধনজন যৌৱন মদে।
অন্ধ হোৱে বিদ্যা গৰ্বৰ পদে।।
স্ত্ৰী মদ্য মাংস সেবাৰ কথা।
কৈ মৰে কৈ মৰে জন্মক বৃথা।।

আহাৰ, নিদ্ৰা, ভয়, মৈথুন- এয়া পশু জগততো বিৰাজমান। মনুষ্যৰ মুখ্য কৰ্ম হ'ল ধৰ্ম চিন্তাৰ যোগেদি সৎ জীৱন যাপন কৰি দেশৰ, দহৰ মংগল সাধন কৰা। গতিকে আমি সকলোৱে বাল্য কালৰ পৰাই গুৰুৰ আশ্ৰয়েৰে জ্ঞান আহৰণ কৰি মানৱী জনম সাৰ্থক কৰিব লাগিব। কিয়নো "ব্ৰহ্মাৰ প্ৰাৰ্থনী নৰতনু অনুপাম।"

সৰ্বশেষত আমি সকলোৱে সেৱা ধৰি কওঁহক- হে কৃষ্ণ, তুমিয়েই আমাৰ নাথ। তুমি আমাৰ প্ৰতি সদয় হোৱা। আমাৰ হৃদয়ত থকা ভেদ বুদ্ধি, অন্ধকাৰ নাশ কৰি পৰিত্ৰাণ কৰা। আমি তয়ু অংশী জীৱ, তোমাৰ মায়ায়ে পাই তোমাক পাহৰাই পেলাইছে। এতেকে তোমাৰ চৰণৰ দাসৰো দাস হৈছো। হেনজানি হে প্ৰাণবন্ধু, আমাক তোমাৰ ভৃত্যৰো ভৃত্য কৰি চৰণ তলে ঠাই দিয়া। আমি আমাৰ কায়-বাক্য, মন-প্ৰাণ, জীৱ আৰু সমস্ত ঐশ্বৰ্য্য বিভূতি তোমাতে অৰ্পন কৰিলো। গুৰু জ্ঞানৰ সহায়েৰে চিত্ত শুদ্ধি কৰিবলৈ, বুদ্ধিক সতন্থ কৰি সেৱা কৰি থাকিবলৈ উপায় দিয়া। তোমাৰ কৃপাতহে আমাৰ সমস্ত বিঘিনি নাশ হ'ব। অসৎ বাসনা ক্ষয় হৈ সৌভাগ্য মিলিব।

এতেকে -

তোমাৰ কৃপাকেসে কৰি আছো আশ।
অৰুণ পদ তলে দিয়োক বাস।।
।।কৃষ্ণ।।